# দুধনৈ মহাবিদ্যালয়

## আলোচনী

### ১৯৮৬-৮৭ চন

দ্বাদশ বছৰ : চতুৰ্থ সংখ্যা : ১৯৮৬-৮৭

সম্পাদক—শ্ৰীগজেশ্বৰ কলিতা

DUDHNOI COLLEGE
ESTD.-1972

# ঃ দুধনৈ মহাবিদ্যালয় আলোচনী ঃ

॥ বছৰেকীয়া প্ৰকাশ ॥
॥ চতুৰ্থ সংখ্যা ॥
॥ ১৯৮৭-৮৮ চন ॥

● সম্পাদক ●
॥ গঙ্গেশ্বৰ কলিতা ॥
● তত্বাৱধায়ক ●
অধ্যাপক :— হেৰম্ব কুমাৰ ৰাভা।

দুধনৈ মহাবিদ্যালয় আলোচনী
বছৰেকীয়া প্ৰকাশ/চতুৰ্থ সংখ্যা/১৯৮৭-৮৮ চন

## সম্পাদনা সমিতি ঃ—

উপদেষ্টা :— অধ্যক্ষ কঙ্কনা কান্ত ৰাভা

তত্বাৱধায়ক :— অধ্যাপক হেৰম্ব কুমাৰ ৰাভা

সম্পাদক ঃ— গঙ্গেশ্বৰ কলিতা

সদস্য :— অধ্যাপক বসন্ত কুমাৰ শৰ্মা
অধ্যাপক এছ জি মোমিন
অধ্যাপক সুৰেশ ডেকা
শ্ৰীকৰ্ণ দৈমাৰী ।

মুদ্ৰক ঃ
—ঃ জ্যোতি প্ৰিন্টাৰ্চ ঃ—
গোৱালপাৰা, অসম ।

# সূচীপত্ৰ


সম্পাদকীয়

প্ৰবন্ধ ঃ—

(১) গোৱালপাৰা জিলাৰ বাশপূজা ...... গীতা সৰকাৰ— ১
(২) অমৃত ভূষণ দেৱ-অধিকাৰীৰ স্মৃতিত ...... শ্ৰীৰমেশ কলিতা— ৩
(৩) মুদ্ৰাত অসমীয়া ভাষা ...... শ্ৰীপ্ৰফুল্ল কুমাৰ কলিতা ৪
(৪) হিটলাৰ, দ্বিতীয় মহাসমৰ আৰু হিটলাৰৰ পৰাজয়ৰ কাৰণ শ্ৰীগোপাল শংকৰ নাথ ৭

কবিতা ঃ—

(১) আকুলতা ...... মিচ্ দীপালী বসুমতাৰী ৯
(২) বেদনা ...... মিচ্ বিনীতা চৌধুৰী ৯
(৩) আহ্বান ...... শ্ৰীদিলীপ কুমাৰ নাথ ১০
(৪) উন্মত যৌৱন ...... শ্ৰীহৰ কুমাৰ ৰাভা ১০
(৫) আজলী হৰিণী ...... শ্ৰীমনোৰঞ্জন নাথ ১১
(৬) অসহায় ছোৱালী জনী ...... শ্ৰীদীলিপ কুমাৰ বড়ো ১২
(৭) মই ৰনুৱা, মই ৰনুৱা ...... শ্ৰীদিবাকৰ শৰ্মা ১২

গল্প ঃ—

(১) ঘেৰ ঘেৰি বাছ ...... শ্ৰীপ্ৰণয় দাস ১৩
(২) প্ৰতাৰনা ...... শ্ৰীগঙ্গেশ্বৰ কলিতা ১৫
(১) শায়েৰী ঃ— ...... শ্ৰীমণিন্দ্ৰ বসুমতাৰী ২২
(২) আপুনি জানেনে ? ...... শ্ৰীটিকাৰাম শৰ্মা ২২

বড়ো

(১) আনি সান্নায ...... শ্ৰীকনিস্ক হাজোৱাৰী ২৩
(২) : বৰ থুনলাই আৰী ফৰায়ষ্ঠা ফীৰনি মাৱনাংগীৱিৱান : মুক্তী প্ৰবিন মজ্জাৰী ২৪
(৩) Problems of Social Education in Assam. Miss Barada Sarma. ২৬
Resuts of the Annual College Week: Competition — 1986—87.
সম্পাদকীয় প্ৰতিবেদন

# -: শুভেচ্ছা বাণী :-

"ডুধনৈ মহাবিদ্যালয়ৰ সীমিত ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা সংগ্ৰহীত বছৰেকীয়া বিভাগীয় পুঁজিৰ পৰা ১৯৮৬-৮৭ চনৰ মহাবিদ্যালয়ৰ আলোচনী খনৰ প্ৰকাশ পলমকৈ হলেও তাৰ প্ৰাপ্ত অধ্যাপক আৰু সম্পাদক দ্বয়ে যথেষ্ট যত্নবান হোৱা বাবে অতি আনন্দিত হৈছো। আশা ৰাখিছো, এই চালুকীয়া মহাবিদ্যালয়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত সাহিত্যিক প্ৰতিভাই বিশাল সাহিত্য জগতত কিয়দাংশ ইন্ধন ইয়াৰে যোগোৱাত সহায়ক হব।

এই মতকে পোষণ কৰি অন্তঃ কৰনেৰে সৈতে বিশ্বাস ৰাখি মহাবিদ্যালয়ৰ এই বছৰেকীয়া প্ৰকাশিত আলোচনীখনৰ উত্তৰোতৰ শ্ৰীবৃদ্ধি কামনা কৰিলো।"

৮ই মাৰ্চ্চ ১৯৮৮
ডুধনৈ মহাবিদ্যালয়।

শ্ৰীকৰুণা কান্ত ৰাভা
অধ্যক্ষ
ডুধনৈ মহাবিদ্যালয়

# সম্পাদকীয়

সাহিত্য এটা জাতিৰ প্ৰধান পৰিচায়ক। জাতি এটাৰ উন্নতি অবনতিৰ হিচাব সাহিত্যৰ মাজেৰে প্ৰকাশ পায়। এটা জাতিৰ ভাষা, সংস্কৃতি, আচাৰ ব্যৱহাৰ ৰীতি-নীতি আদিৰ বিষয়ে জানিবলৈ হলে সেই জাতিটোৰ সাহিত্য অধ্যায়ন একান্তই প্ৰয়োজন। সবল সাহিত্য যেনেকৈ এটা সুস্থ সবল জাতিৰ প্ৰতিক, তেনেকৈ দুৰ্ব্বল সাহিত্যৰ এটা জাতি মেৰুদণ্ডহীণ প্ৰানী সৰূপ। মুঠতে মানবীয় সংস্কৃতি বিষয়ে কিছু জ্ঞান লাভ কৰিবলৈ সাহিত্যৰ প্ৰয়োজন নিতান্তই জৰুৰী।

"ভাব প্ৰকাশৰ মাধ্যম ভাষা" – এই মাধ্যমকে নেৰা-নেপেৰা চেষ্টা, শ্ৰম, চিন্তা, পাণ্ডিত্য আৰু নিস্বাৰ্থ সেৱাৰে সজাই পৰাই উলিয়ালে সৃষ্টি হয় ভাষা সাহিত্য সংস্কৃতিৰ। সাহিত্যই পঢ়ুৱৈক আনন্দ দিয়াৰ লগতে নকৈ চিন্তা কৰাত অনুপ্ৰেৰণা যোগায়। কিন্তু সেইবুলি সাহিত্যৰ উদ্দেশ্য অকল মানুহক সন্তুষ্ট কৰাই নহয়, শিক্ষা দিয়াহে। অনুপ্ৰেৰণা, বিশ্বাস, সৌন্দৰ্য্যবোধ, পৰিচন্নতা আদি সকলোৱে প্ৰয়োজনীয় অনুভূতিবোৰ সাহিত্যৰ পৰাই পাব পাৰি। প্ৰিয়জনৰ হৃদয়ৰ পৰা পোৱা মৰমে যেনেকৈ মানুহৰ মনক ৰঙীন কৰি তোলে; তেনেকৈ সাহিত্যৰ পৰা পোৱা এই অনুভূতি বিলাকে মানুহৰ বিবেকক নকৈ চিন্তা কৰাত উদগণি যোগায়। সেয়ে আমাৰ এই মহাবিদ্যালয় আলোচনী খনৰ যোগেদি ছাত্ৰ-ছাত্ৰী সকলোক মনৰ আনন্দৰ খোৰাক যোগোৱাৰ লগতে নবীন লিখক সকলোক উৎসাহ প্ৰেৰণা দিয়াৰ এটি ক্ষুদ্ৰ প্ৰয়াস চলাইছো।

আজিৰ যুগ শিক্ষাৰ যুগ। সুশিক্ষা বিনে আজিৰ যুগত নিজকে পৰিচয় দিয়া কঠিন। কিন্তু সেই বুলি শিক্ষাৰ উদ্দেশ্য অকল "চাকৰী" হব নোৱাৰে। স্কুল, কলেজৰ পাঠ্যক্ৰমতে সীমাবদ্ধ শিক্ষাৰ মূল্যই এজন মানুহক প্ৰকৃত জ্ঞানী কৰি তুলিব নোৱাৰে। যিকোনো এটা বিষয়ত প্ৰকৃত জ্ঞান লবলৈ হলে সেই বিষয়টোৰ ব্যাৱহাৰিক দিশটোৰ প্ৰতিও গুৰুত্ব দিয়া প্ৰয়োজন। খেতি পথাৰৰ বোকা নগাকিলে কিতাপত পঢ়া "সোণালী ধান"ৰ গূঢ়াৰ্থ বুজা কঠিন। সেয়ে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে অকল স্কুল কলেজৰ পাঠ্যক্ৰমৰ মতবাদ সমূহতে আবদ্ধ নাথাকি হাতে কামে আগবাঢ়িলে নিজৰ লগতে দেশ তথা সমাজৰ মঙ্গল হব।

**স্বীকাৰোক্তি ঃ—**

আলোচনী এখন সুন্দৰ ভাবে সজাই পৰাই তোলাটো কিমান কঠিন তাক অকল ভুক্ত ভোগীয়েহে জানে। মোৰ ক্ষেত্ৰটো সেই একেই কঠিনতাই দেখা দিলে। অতি কম মুলধনেৰে আলোচনীখন প্ৰকাশ কৰিবলগীয়া হোৱাত আলোচনীখনৰ সৌন্দৰ্য্য প্ৰকাশত যথেষ্ট বাধা পৰিল। আলোচনী খনৰ বাবে যথেষ্ট পৰিমানৰ গল্প, কবিতা, প্ৰবন্ধ আদি আহিছিল যদিও ভাব বেছি

আগেই উপযুক্ত মানদণ্ড সম্পন্ন নাছিল। তাৰোপৰি মোৰ সত্তে খোকা-খুন্দা লাগি থকা "কম মুলধন" নামৰ সমস্যাটোৰ বাবেই বহু সংখ্যক লিখনীও প্ৰকাশ কৰিব পৰা নগল। আৰু সেই কাৰণেই বোধহয় আলোচনীখন "উচ্চ মানদণ্ড" নামৰ বিশেষনটোৰ পৰা বঞ্চিত হ'ল। তাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৰযোৰে ক্ষমা ভিক্ষা মাগিছো।

**কৃতজ্ঞতা স্বীকাৰ ঃ--**

যি সকল ব্যক্তিৰ অনুপ্ৰেৰণা আৰু সহায়ত মই এই গুৰু দায়িত্ব লৈ আলোচনী সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিবলৈ সমৰ্থ হ'লো তেওঁলোক সকলোলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম নিবেদিছো। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত মোক বিশেষ ভাবে দিহা পৰামৰ্শ দি আৰু হাতে কামে লাগি সহায় কৰা চাৰ হেৰম্ব কুমাৰ ৰাভাৰ ওচৰত মই চিৰ কৃতজ্ঞ। তাৰো পৰি মোক আন আন ধৰণে সহায়ৰ হাত আগবঢ়াই আলোচনীখন প্ৰকাশৰ বাটলৈ অনা চাৰ সুৰেশ ডেকা, বসন্ত কুমাৰ শৰ্মা, এচ মোমিন, বাৰ্ণ দৈমাৰী আৰু আন আন মোৰ মাননীয় অধ্যাপক সকল আৰু মোৰ চিৰ নমস্য চাৰ অধ্যক্ষ কৰুণা কান্ত ৰাভা আৰু উপাধ্যক্ষ ক্ষীৰোদ খাংলাৰীৰ ওচৰত মোৰ শ্ৰদ্ধা ভৰা শিৰ সদায় দোঁ খাই ৰব। আকৌ এই ক্ষেত্ৰত মোক সহায় সহযোগিতাৰে উৎসাহিত কৰা বন্ধু শৈলেন, প্ৰদীপ উদ্ধৱ, বিপুল, হেমন্ত, ভবেশ, কন্দৰ্প আৰু আন আন বন্ধু বান্ধৱীৰ লগতে মোক এই ক্ষেত্ৰত উৎসাহ যোগোৱা সাঃ সম্পাদক ৰঞ্জিত কুমাৰ ৰাভালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই সংখ্যা আলোচনীৰ বাবে প্ৰবন্ধ পাতি পঠিয়াই আলোচনীখন ছাত্ৰ-ছাত্ৰী সকলোলৈ মই শলাগৰ শৰাই আগবঢ়াইছো অৱশেষত দুধনৈ মহাবিদ্যালয় আলোচনী খনৰ উজ্বল ভবিষ্যত কামনাৰে—

গজেশ্বৰ কলিতা
জয়তু দুধনৈ মহাবিদ্যালয়
জয়তু দুধনৈ মহাবিদ্যালয়
আলোচনী।

প্ৰবন্ধ

# গোৱালপাৰা জিলাৰ বাঁশপূজা।

**গীতা সৰকাৰ**
প্ৰবক্তা ডুধনৈ মহাবিদ্যালয়
অসমীয়া বিভাগ

সাহিত্য আৰু সংস্কৃতিৰ সম্বন্ধ অঙ্গাঙ্গী। এটা মুদ্ৰাৰ দুটা পিঠি। সংস্কৃতিক বাদ দি সাহিত্যই তাৰ পূৰ্ণ ৰূপ প্ৰকাশ কৰিব নোৱাৰে। সাহিত্যৰ ৰূপ সামগ্ৰিক কিন্তু সংস্কৃতিৰ ৰূপ আঞ্চলিক। অঞ্চল ভেদে ই ৰূপ সলায় আৰু কিছুমান আঞ্চলিক বৈশিষ্ট্যও ধাৰণ কৰে। গোৱালপাৰা জিলাত প্ৰচলিত ওপৰোক্ত "বাশঁ পূজা" নামৰ লোক অনুষ্ঠানটোৰ দুটা আঞ্চলিক ৰূপ দেখা যায়। এটা ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰ আনটো উত্তৰ পাৰ। এই প্ৰবন্ধটোত দক্ষিণ পাৰৰ বাশঁ পূজা সম্পৰ্কে আলোচনা কৰা হ'ব।

গোৱালপৰীয়া ভাষাৰ লগতে গোৱালপৰীয়া সংস্কৃতিৰ এতিয়ালৈকে বাপক অধ্যয়ন হোৱা নাই। অসমীয়া জাতীয় সংস্কৃতিত গোৱালপৰীয়া সংস্কৃতিৰ বৰঙণি বা অৱদান কিমান তাক দুটা এটা প্ৰবন্ধৰ বাহিৰে কোনেও ভাল কৈ গুৰুত্ব দিয়া নাই। গোৱালপাৰাও বৰ্ত্তমান অধিকাংশ সংস্কৃতিয়ে লুপ্ত প্ৰায়। তাৰ বাবে দায়ী আমাৰ এফালে শিক্ষিত সমাজ আৰু আনফালে হোজা গাৱলীয়া ৰাইজ। শিক্ষিত সকলে শিক্ষাৰ পোহৰ পোৱাৰ লগে লগে পুৰণি সকলো দলিয়াই পেলাই আধুনিক ঠাচত চলিবলৈ আৰম্ভ কৰে আৰু তাকে দেখি গাৱলীয়া ৰাইজেও সকলো আওকান কৰি কোনোমতে জীৱিকা নিৰ্বাহ কৰিবলৈ লৈছে। তেওঁলোকে নিজৰ কৃষ্টিক কু-সংস্কাৰ পূৰ্ণ অদৰকাৰী বুলি ভাবি সেইফালে পিঠি দিছে। কিন্তু কিয় ? এটা জাতি জীয়াই ৰাখিবলৈ হলে তাৰ ভাষা আৰু সংস্কৃতিৰ আঞ্চলিক ৰূপৰ প্ৰয়োজন অপৰিহাৰ্য্য।

বৰ্ত্তমান গোৱালপাৰা জিলাত প্ৰচলিত কিছুমান লোক অনুষ্ঠানৰ ভিতৰত বাশঁ পূজাও এটা। এই বাশঁ পূজা এপ্ৰিল মাহৰ মাজ ভাগত চ'ত মাহৰ শেষত ত্ৰয়োদশীৰ দিনাখন পতা হয়। তাৰ আগদিনাখন বাঁহনিৰ পৰা দুডাল বাঁহ কাটি আনি চাঁচি ধুনীয়াকৈ নতুন কাপোৰেৰে মেৰিওৱা হয়। আৰু মূৰত এটাকৈ চোঁৱৰ পিন্ধাই বেদীত স্থাপন কৰা হয়। বাঁহনিৰ পৰা বাঁহ কাটি অনাৰ নিয়মটো হ'ল যিটো বাঁহৰ আগ পূৱ মুৱাকৈ হালি থাকিব সেই টোহে কাটিব লাগিব আৰু বাঁহ কটাৰ সময়ত কিছুমানৰ বিশেষ গীতো গোৱা হয়। বৰ্ত্তমান

উত্তৰ পাৰত এই গীতবোৰ অপ্ৰচলিত। সেই গীতবোৰ এনেকুৱা "গোৰ কোনা ছাৰে বাঁশেৰ গুৰুৱা বুলিয়া আগাল কোনা ছাৰে বাঁশেৰ আগালি বুলিয়া, মদ্য কোনা ৰাখে মদন কাম বুলিয়া"। তাৰোপৰি বাঁহ সৃজন, চোঁৰৰ সৃজনবো বেলেগ বেলেগ গীত আছে। সন্ধিয়া বাঁশ পূজা কৰা প্ৰতি ঘৰে ঘৰে নাম কীৰ্ত্তন কৰা হয়। এই পূজা এদিনীয়াকৈ বা তিনি দিনীয়াকৈ কৰা হয়। প্ৰথম দিনাখন বাঁহ কাটি আনি বেদীত স্থাপন কৰা হয়, দ্বিতীয় দিনাখন বাঁহৰ গুৰিত হোম পোৰা হয় আৰু তৃতীয় দিনাখন বিল বা পুখুৰীৰ পাৰলৈ নি বাঁহ চুডালক পানী খুৱাই বাঁহত মেৰিওৱা কাপোৰ কানি খুলি বাঁশ পূজা সামৰা হয়। এই পূজাৰ প্ৰসাদ আখৈ, কল আৰু গাখীৰেৰে বনোৱা পিঠাগুৰিৰ লাড়ু প্ৰধান। "মদন কামেৰ লাড়ু" বুলি জনাজাত। আচলতে বাশঁ পূজাৰ এই দেৱতা জন 'মদন কাম" বুলিও খ্যাত। তেওঁ পুৰুষ। যি চুডাল বাঁহেৰে এই পূজা কৰা হয়, সেই চুটাৰ এটাক মতা আৰু আনটোক তিৰোতাৰ প্ৰতীক হিচাপে লোৱা হয় বা মতা আৰু মাইকী বুলিয়ে গণ্য কৰা হয়। সেই ফালৰ পৰা লক্ষ্য কৰি এই উৎসৱ সৃষ্টিৰ প্ৰতীক বুলি কব পাৰি। কামৰূপ অঞ্চলত এই উৎসৱ "ভথেলি" বুলি জনাজাত সেই সময়ত পৃথিৱী গৰ্ভৱতী হয় আৰু তাৰ আগজননী স্বৰূপে এই ধৰণৰ পূজা পাতল কৰা হয়। উত্তৰ পাৰৰ মুছলিম সম্প্ৰদায়ৰ মাজতো এই উৎসৱ প্ৰচলিত। ইয়াক "মাদাৰ" বুলি কোৱা হয়।

পুহ মাহতো এই বাশঁ পূজা কৰা হয়। এই সময়ৰ বাশঁ পূজাক 'চাতালী বাঁশ' বুলি জনা যায়। এই সময়ত গোটেই পুহ মাহ ঘৰে ঘৰে চোঁৱৰেৰে বাঁহ লৈ সৰু সৰু লৰা বিলাকে ঢাকৰ বাজনাৰ লগত নাচি মাগি ফুৰে। তাৰ পিচত পুহ মাহৰ সংক্ৰান্তিৰ দিনাখন পূজা কৰি ভোজ ভাত খায়।

এই বাঁশ পূজা উপলক্ষে কোনো কোনো ঠাইত আজি কোপতি প্ৰতিযোগিতা মূলক খেলবো আয়োজন কৰা হয়। আচলতে খেলৰ প্ৰতিযোগিতা নহয় বাঁহৰ প্ৰতিযোগিতা-হে। কোনে কিমান দীঘল বাঁহলৈ আহিব পাৰে, সেই হিচাবে পুৰস্কাৰ দিয়া হয়। খেলাৰ কাৰণে ডাঙৰ মুকলি পথাৰৰ প্ৰয়োজন হয়। কথিত আছে যে "কুচ বিহাৰেৰ 'বাস্' বলো-ৰাম পুৰেৰ 'বাঁশ'।" কোচবিহাৰৰ ৰাস মেলাৰ দৰে বলোৰাম পুৰৰ (কোচ বিহাৰৰ ওচৰৰ ঠাই) বাঁশ মেলা বিখ্যাত আছিল। বলোৰাম পুৰৰ মেলা আজি কালি আগত কৈ সৰু হৈছে যদিও বিভিন্ন ঠাইত সেই দিনাখন সৰু সুৰাকৈ মেলা হোৱা দেখা যায়।

গতিকে দেখা যায় যদিও গোৱাল-পৰীয়া সংস্কৃতিৰ প্ৰচলন কমি গৈছে; ই একে-বাৰে লোপ পোৱা নাই। গোৱালপাৰাৰ সকলো ধৰণৰ কৃষ্টি সংস্কৃতিক জীয়াই ৰাখিবলৈ সকলো গোৱালপৰীয়া ৰাইজে যাতে চেষ্টা কৰে আৰু গোৱালপৰীয়া সংস্কৃতিক অসমীয়া সংস্কৃতি হিচাবে একেখন মঞ্চত প্ৰকাশ কৰিব পাৰে তাৰ বাবে যিখিনি সহৃদয়তা বা আন্তৰিকতা সেইখিনি সকলো অসমীয়াৰে থাকে তাকে কামনা কৰিলোঁ।

# অমৃত ভূষন দেৱ অধিকাৰীৰে স্মৃতিত।

শ্ৰীৰমেশ কলিতা
স্নাতক ২য় বাৰ্ষিক

গোৱালপাৰা জিলাৰ পৰা ( অবিভক্ত ) বৰ্ত্তমান সময়লৈকে যি কেইজন কৃতি পুৰুষে অসম সাহিত্য সভাৰ সভাপতি পদ অলংকৃত কৰিছে সেই সকলৰ ভিতৰত প্ৰথম সভাপতি জন হল অমৃত ভূষণ দেৱ অধিকাৰী। ১৮৬৬ চনত গোৱালপাৰা চহৰৰ প্ৰায় ২৫ কিলো-মিটাৰ নিলগত থকা দলগোমা গাওঁত অধিকাৰী দেৱৰ জন্ম হয়। তেখেতৰ পিতৃ কণ্ঠ ভূষণ দেৱ অধিকাৰী এজন পণ্ডিত আৰু সুবক্তা আছিল। লৰালি কালছোৱা অধিকাৰী দেৱে দলগোমাত কটায়। দূৰ্ভাগ্য ক্ৰমে অধিকাৰী দেৱৰ লৰালি কালতে পিতৃ বিয়োগ হোৱাত তেখেতে জেষ্ঠ ভাতৃৰ তত্বাৱধানত ডাঙৰ দীঘল হয় সেই সময়ত ৰাজ্যখনত ইংৰাজী শিক্ষা প্ৰচাৰ আৰু প্ৰসাৰতা লাভ কৰিছিল।

অধিকাৰী দেৱে স্থানীয় ইংৰাজী স্কুলত নাম ভৰ্ত্তি কৰে আৰু মেধা শক্তিৰ পৰিচয় দিয়ে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ অধিকাৰী দেৱে কলিকতাৰ স্কটিছ চাৰ্চ কলেজত অধ্যয়ণ কৰিবলৈ লয়। কিন্তু অকস্মাং তেখেতৰ জেষ্ঠ ভাতৃৰ মৃত্যু হোৱাত তেখেতে ঘৰলৈ আহিবলৈ বাধ্য হয়। ঘৰুৱা অৱস্থা ভাল নোহোৱাত অধিকাৰী দেৱে চাকৰিত সোমায়। তেখেতে আন ভাল চাকৰি নলৈ শিক্ষক চাকৰিহে ললে। যোৰহাটৰ বেজবৰুৱা হাইস্কুলত কেই বছৰ মান চাকৰি কৰাৰ পিছত গৌৰীপুৰৰ ৰজাৰ অনুৰোধত গৌৰীপুৰ ইংৰাজী স্কুলত শিক্ষক হিচাবে যোগদান কৰে। শিক্ষক হিচাবে অধিকাৰী দেৱে অতি সুদক্ষ আছিল। গৌৰীপুৰৰ ৰজাই তেখেতক বৰ শ্ৰদ্ধা কৰিছিল। সেই সময়ত কিছুমান স্বাৰ্থপৰ লোকৰ প্ৰৰোচনাত বঙালী সংস্কৃতিয়ে গোৱালপাৰা জিলাক ঢাকি ধৰিছিল। যি কেইজন ব্যাক্তিয়ে গোৱালপাৰা জিলাত অসমীয়া ভাষা সংস্কৃতি ৰক্ষাত আপ্ৰান চেষ্টা কৰি গল তাৰ ভিতৰত অধিকাৰী দেৱ আৰু প্ৰসন্ন নাৰায়ণ ঘোষ অন্যতম। গৌৰীপুৰৰ ৰজাই গোৱালপাৰা বঙলা ভাষাৰ প্ৰচলন কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু অধিকাৰী দেৱে এই ষড়যন্ত্ৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰিছিল আৰু ৰাইজৰ মাজতে সভা সমিতি পাতি জনমত গঠন কৰিছিল।

অধিকাৰী দেৱ সংস্কৃত ভাষাত সু-পণ্ডিত আছিল। বিভিন্ন ধৰ্ম শাস্ত্ৰ তেখেতে অধ্যয়ন কৰিছিল। অধিকাৰী দেৱৰ ৰচিত পুথি হল

মহাপুৰুষ মাধবদেৱৰ নাম ঘোষা ব্যাখ্যামূলক পুথি "শ্ৰীসনাম নামঘোষা"।

অসমীয়া ভাষাৰ এইখন মূল্যবান কিতাপ বহী আৰু আৱাহন কাকততো তেখেতে বহু কেইটা মূল্যবান প্ৰবন্ধ প্ৰকাশ কৰে।

ইংবাজী ১৯২৩ চনত যোৰহাটত বহা অসম সাহিত্য সভাৰ পঞ্চম অধিবেশনত অধিকাৰীদেৱে সভাপতিৰ আসন পায়। সভাপতি পদত থকা কাল ছোৱাত তেখেতে অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ হকে বহুতো চেষ্টা কৰিছিল। ১৯২১ চনত অধিকাৰী দেৱে এটি লৰা এজনী কন্যা সন্তান এৰি থৈ স্বৰ্গগামী হয়।

# মুদ্ৰাত অসমীয়া ভাষা

শ্ৰীপ্ৰফুল্ল কুমাৰ কলিতা
স্নাতক দ্বিতীয় বাৰ্ষিক
ডুধনৈ মহাবিদ্যালয়
১৯৮৭ ইং

ৰাজনৈতিক ভাৱে সুসংগঠিত এটা জাতিৰ মুদ্ৰা অৰ্থনৈতিক, সামাজিক আৰু সংস্কৃতিৰ প্ৰতীক। অৰ্থনৈতিক ক্ষেত্ৰত মুদ্ৰা অপৰিহাৰ্য্য যদিও সামাজিক আৰু সাংস্কৃতিক মূল্য মানতো ইয়াৰ অৰিহনা কম নহয়। খৃষ্ট পূৰ্ব প্ৰায় ১৫০০ বছৰৰ আগতে ভাৰতত "নিস্ক" নামৰ এবিধ স্বৰ্ণ মুদ্ৰাৰ প্ৰচলন থকাৰ কথা ইতিহাসে প্ৰমাণ কৰিছে। যজ্ঞৰ শেষত পুৰোহিতক স্বৰ্ণ মুদ্ৰা দক্ষিণা দিয়াৰ কথা শত পথ ব্ৰাহ্মনত উল্লেখ আছে।

"তস্মৈ ত্ৰিনি শত মাননি হিৰন্যানি দক্ষিণা" বৈদিক যুগত "বিবিধানি ৰত্নানি"ৰ কথা উল্লেখ পোৱা যায়। মনু সংহিতাৰ যুগত দায় দোষৰ কাৰণে "ধেনুদণ্ড" দিয়াৰ বিহিত ব্যৱস্থা থাকিলেও মনু সংহিতাত অৰ্থদণ্ডৰ ব্যৱস্থাও আছিল, তথাপি আজিলৈ সেই যুগৰ কোনো মুদ্ৰা উদ্ধাৰ হোৱা নাই। কনিস্ক চন্দ্ৰগুপ্ত, চোল, কাশ্মীৰৰ ৰজা, দ্বিতীয় এপোলোটোছ আদি ৰজা সকলৰ সং সামান্য মুদ্ৰা উদ্ধাৰ হৈছে। মোগলৰ পূৰ্ববৰ্তী ৰজা সকলে সাধাৰণতে মুদ্ৰাৰ ওপৰত ৰাজকীয় প্ৰতীক ব্যৱহাৰ কৰিছিল। তাত ৰজাৰ বিৱৰণ বা চন তাৰিখ দিয়া হোৱা নাছিল। সেই যুগতো দুই এজন ৰজাই নিজৰ ৰাজত্ব কালৰ বৰ্ণনা দিয়াৰ প্ৰমান পোৱা যায়। ইণ্ডোগ্ৰীক সম্ৰাট দ্বিতীয় এপোলোটোছৰ মুদ্ৰাত ৰাজকীয় বৰ্ণনা পোৱা যায়। মোগলৰ ৰাজত্ব

কালত প্ৰচলিত মুদ্ৰাত ৰজাৰ সবিশেষ বৰ্ণনা, শক আদি খোদিত কৰা হৈছিল।

কামৰূপত অতি প্ৰাচীন কালৰে পৰা স্বৰ্ণ, ৰৌপ্য আৰু তামৰ মুদ্ৰাৰ কথাৰ উল্লেখ পোৱা যায়। খৃষ্টীয় ৬ষ্ঠ শতিকাৰ শেষভাগৰ ৰজা মহাভূতি বৰ্মা আৰু তেওঁৰ পৰিনাতি ভাস্কৰ বৰ্মাই মুদ্ৰাৰ প্ৰচলন কৰাৰ কথা পোৱা যায়। ভাস্কৰ বৰ্মাৰ পিছতো আন আন ৰজা সকলে মুদ্ৰাৰ প্ৰচলন কৰিছিল। সেয়েহে কড়িৰ ওপৰত ৰাজকীয় বানী খোদিত কৰা সম্ভৱ হোৱা নাছিল। "কড়ি-মুদ্ৰা" ৰ পৰৱতী যুগত ধাতুকে বস্তু বিনিময়ৰ কাৰণে বা দক্ষিণাৰ ৰাবে "পূৰ্ণ শত ৰাজতাং" বুলি মন্ত্ৰ মতাৰ উল্লেখ পোৱা যায়। টকাৰ পূৰ্ববতী অৱস্থা "ৰজত" মুদ্ৰাত বিদ্যা-মান খৃষ্টীয় একাদশ শতিকালৈ প্ৰচলিত মুদ্ৰাত ৰাজকীয় প্ৰতীক ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ পৰৱতী কালত প্ৰচলিত মুদ্ৰাত খৰোষ্ঠী বা ব্ৰাহ্মী লিপিৰে সংস্কৃত ভাষাত বাণীবদ্ধ কৰা হৈছিল। খৃষ্টীয় চতুৰ্দশ শতিকালৈ কামৰূপত সকলোবোৰ ধৰ্মীয় অনুষ্ঠান, ৰাজকীয় কাৰ্য্য, অভিষেক, উৎসৱ আদি সংস্কৃত ভাষাত সম্পাদন হৈছিল। কামৰূপত সংস্কৃত ভাষাৰ প্ৰভাৱ অতি পুৰণি। খৃষ্ট পূৱ ১৫০০ বছৰ আগৰে পৰা কামৰূপত আৰ্য সংস্কৃতি আৰু সংস্কৃত ভাষাই প্ৰভাৱ বিস্তাৰ কৰিছিল। শত পথ ব্ৰাহ্মন ৰচিত হোৱাৰ সময়ত বৈশ্বানৰ অগ্নিয়ে পশ্চিমৰ পৰা দাহন কৰি ক্ৰমে সদানীৰা নদীৰ পাৰত শেষ কৰিলে। পিছত পূৰ্বদেশ ( ম্লেচ্ছদেশ ) ব্ৰাহ্মনৰ যজ্ঞ হোমে পৱিত্ৰ কৰে। তেতিয়াৰ পৰা কামৰূপত আগ-যজ্ঞ আদিৰ অনুষ্ঠানৰ প্ৰচলন হৈ আৰ্য্য সভ্যতাৰ বিস্তাৰ হয়। আৰ্যবীৰ পৰশুৰাম, দুৰ্যোধন, ভীম, অৰ্জুন, শ্ৰীকৃষ্ণ, বৃষকেতু আদিয়ে এই ৰাজ্য জয় কৰিছিল আৰু কামৰূপৰ অনাথ ৰজা সকলে আৰ্য ৰজা সকলৰ অশ্বমেধ, ৰাজসূৰ্য, ৰাজপেয় আদি যজ্ঞত উপস্থিত থাকি কেইবাজন ভাৰত সম্ৰাটক ৰাজচক্ৰৱতী বুলি মানি তেওঁলোকৰ বশ্যতা স্বীকাৰ কৰিছিল। যজ্ঞৰ শেষত আৰ্য-বৰ্তৰ পৰা যাগ-যজ্ঞ সম্পন্ন কৰিব পৰা ঋত্বিক আৰু বেদ সংহিতা আদি ধৰ্ম শাস্ত্ৰ কামৰূপলৈ লৈ আহিছিল। ৰশিষ্ঠ, পৰাশৰ, কন্ব, গৌতম, কাপ্য, জামদগ্নি আদি মহামহা ঋষি-মুনি সকলক কামৰূপত স্থাপন কৰিছিল। তেওঁলোকে ৰাজ দৰবাৰত উচ্চ আসন পাইছিল আৰু যাগ-যজ্ঞ সম্পন্ন কৰাৰ উপৰিও বেদ, সংহিতা, নিৰুক্ত, কল্প, জ্যোতিষ আদিৰ চৰ্চাৰ কাৰণে বিভিন্ন স্থানত তেওঁলোকৰ কাৰণে আশ্ৰম পাতি দিয়া হৈছিল।

এই আশ্ৰম সমূহত সংস্কৃত চৰ্চা আৰু জ্যোতিষ, আয়ুৰ্বেদ, পশু চিকিৎসা আদিৰ বিষয়ে গবেষণা চলোৱা হৈছিল। পালকাপ্য তেনেকুৱা এজন অৰ্থাৰ্য ঋষি। এই দৰে আৰ্য আৰু অনাৰ্য সংস্কৃতি আৰু ভাষা মিশ্ৰিত হৈ কামৰূপীয়া সংস্কৃতিয়ে স্বকীয় গঢ় লয়। সকলো বোৰ ধৰ্মীয় আৰু ৰাজকীয় কাৰ্য্য সংস্কৃত ভাষাত সম্পন্ন হৈছিল যদিও ৰজাৰ সমাৰ কৰা, বিচাৰ, কৃষি-কাৰ্য, কৰ সংগ্ৰহ আদি স্থানীয় কথিত ভাষাত সমাধা কৰা হৈছিল ফলত সংস্কৃত উপৰি প্ৰাকৃত অপভ্ৰংশ ভাষায়ো ৰাজদৰবাৰত যোগ্য আসন লাভ কৰিলে। ৰজাৰ অনুশাসনাৱলী. দানপত্ৰ, মোহৰ, মুদ্ৰা আদিত অপভ্ৰংশ ভাষাই স্থান ললে। ভাস্কৰ বৰ্মাৰ ফলি, মোহৰ, লিপি আদি ব্ৰাহ্মীমূলত পোৱা যায়। হিউৱেনচাঙৰ টোকাৰ পৰা জনা যায়

যে, বিভিন্ন গোষ্ঠিৰ মানুহৰ উচ্চাৰণৰ পৰা ভিন ভিন ভাষাৰ উদ্ভৱ হয়। বিশেষকৈ চাৰি পীঠ বা চাৰি প্ৰদেশৰে গঠিত কামৰূপত প্ৰাকৃত ভাষাই গা কৰি উঠিছিল। কামৰূৰৰ ভাষাৰ লগত ওচৰ-চুবুৰীয়া ৰাজ্যৰ ভাষাৰ মিল কম যদিও মিথিলা আদিৰ ভাষাৰ লগত সাদৃশ্য আছিল। হিউৱেনচাং কামৰূপলৈ অহাৰ সময়ত পূৰ্ববঙ্গ কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল। আৰু কামৰূপ ৰাজ্যৰ বিস্তিতি কৰ্ণ সুবৰ্ণ লৈ বিয়পি আছিল।

প্ৰাচীন কালত কামৰূপ এখন বিশাল সাম্ৰাজ্য আছিল। ইয়াৰ ভৌগলিক সীমা পূবে দিক্কৰ বাসিনী দেৱীৰ মন্দিৰ, উত্তৰে হিমালয় পৰ্বত, পশ্চিমে কৰতোৱা (সদানীৰা) দক্ষিণে সাগৰ, কামৰূপৰ ৰত্নপীঠৰ জনসাধাৰণ আৰ্য নৰ্দ্দিক তেজৰ মিশ্ৰিত আৰু আন আন পীঠৰ মানুহ আৰ্য মঙ্গোলীয় ৰক্তোদ্ভৱ। সেই কাৰণে ৰত্নপীঠৰ মানুহৰ উচ্চাৰণৰ লগত আন পীঠৰ মানুহৰ উচ্চাৰণৰ প্ৰভেদ আছিল। কোচৰাজ্যৰ পতনৰ পিছত প্ৰশাসনীয় সম্বন্ধ নাইকিয়া হোৱাৰ পিছত ৰত্নপীঠৰ ভাষাৰ লগত আন আন পীঠৰ ভাষাৰ সম্বন্ধ কমি আহিল। ৰত্নপীঠৰ পশ্চিমাঞ্চলৰ ভাষা নিকটবৰ্তী বঙ্গ ভাষাৰ কবলত পৰে। ভাস্কৰ বৰ্মাৰ যুগৰ পৰা নৰনাৰায়ণ চিলাৰায়ৰ যুগলৈ প্ৰায় ৯০০ বছৰ কামৰূপীয় ভাষাই পূব ভাৰতত আধিপত্য বিস্তাৰ কৰি আহিছিল। হিউৱেনচাঙৰ টোকা কালিকা পুৰাণ, যোগিনী তন্ত্ৰ, আদি গ্ৰন্থ ঐতিহাসিক দৃষ্টিকোণেৰে চালে এই কথাৰ সত্যতা প্ৰতিপন্ন হয়। ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত ৰাজকীয় পৃষ্ঠপোষকতাত কামৰূপী ভাষাই ৰজাৰ শাসনাৱলী, দানপত্ৰ, মোহৰ আৰু মুদ্ৰাত স্থান পাইছিল। ভাস্কৰ বৰ্মাৰ নিধনপুৰৰ তাম্ৰলিপিয়ে ইয়াৰ সাক্ষ্য দিয়ে। খৃষ্টীয় চতুৰ্দশ পঞ্চদশ শতিকাত কামৰূপৰ পূৰ্ব্বাঞ্চলত আহোম সকলৰ প্ৰতি-পত্তি বৃদ্ধি পায় আৰু ভৰলুৰ পূব পাৰৰ পৰা পূৰ্ব ৰাজ্যখণ্ডক 'অহম মূলক' বা অসম মুলুক বা অসম ৰাজ্য বুলি মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱ আদি পণ্ডিত সকলে আখ্যা দিয়াৰ পৰা অনুমান কৰিব পাৰি যে তেতিয়াৰ পৰাই এই দেশৰ নাম অসম দেশ আৰু ইয়াৰ ভাষা অসমীয়া ভাষা বুলি পৰিগণিত হয় আৰু এই ভাষা কোচবিহাৰলৈ ব্যাপি থাকে। ইয়াৰ পশ্চিমাঞ্চলৰ ভাষা বঙ্গ ভাষাত বিলীন হৈ গ'ল।

প্ৰাচীন কামৰূপৰ ৰজা সকলৰ ভিতৰত শালস্তম্ভ বংশীয় ৰজাসকলৰ মুদ্ৰা, কোচ ৰজা সকলৰ মুদ্ৰা, ত্ৰিপুৰাৰ ৰজাৰ মুদ্ৰা, জয়ন্তীয়া ৰজাৰ মুদ্ৰা আৰু আহোম ৰজাৰ মুদ্ৰা কিছুমান উদ্ধাৰ হৈছে।

উদ্ধাৰ নোহোৱা মুদ্ৰাৰ মাজত হয়তো অসমৰ কিমান জাতীয় গৌৰৱ লুপ্ত হৈ আছে তাৰ ইয়ত্তা নাই। এই মুদ্ৰা সমূহ সোণ ৰূপ, তাম, প্ৰস্তৰ, কড়ি আদি বিভিন্ন বস্তুৰে নিৰ্মিত। নগা ৰাজ্যত কাঠৰ পৰাও মুদ্ৰা কটা হৈছিল। আন আন পৰ্বতীয়া ৰাজ্যত কাঠ, প্ৰস্তৰ, মাটিৰেও মুদ্ৰা তৈয়াৰ কৰিছিল। বিভিন্ন মূল্যমানৰ ওপৰত নিৰ্ভৰ কৰি মুদ্ৰা তৈয়াৰ কৰা হৈছিল। এই মূল্যমানৰ নিৰিখ আছিল টকা, আধলি, সিকি, চৰতীয়া, আদমহীয়া, তিনিৰতীয়া ইত্যাদি। পুৰণি কালত এই মুদ্ৰাৰ মূল্যমানৰ নিৰিখ আছিল পূণ ৰজত, অৰ্ধ ঘূৰণীয়া চাৰিকোণীয়া, আঠকোণীয়া, নকোণীয়া ওজনৰ ফালৰ পৰাও মূল্যৰ লগত মিল ৰখা হৈছিল। ● ●

সংক্ষিপ্ত

বিঃ দ্ৰঃ— বিভিন্ন গ্ৰন্থৰ সহায় লৈ লিখা হৈছে।

# হিটলাৰ, দ্বিতীয় মহাসমৰ আৰু হিটলাৰৰ পৰাজয়ৰ কাৰণ

শ্ৰীগোলাপ শংকৰ নাথ
উঃ সাঃ ১ম বাৰ্ষিক [ কলা ]

পৃথিৱীত দ্বিতীয় মহাসমৰৰ অগনি জ্বলোৱাবীৰ হিটলাৰৰ সম্পূৰ্ণ নাম আছিল আডল্ফ হিটলাৰ। পৃথিৱীত এতিয়ালৈকে তিনিজন বীৰেই ইউৰোপ মহাদেশৰ প্ৰায়বোৰ দেশ জয় কৰিছিল। সেই কেইজন হ'ল জুলিয়াচ চিজাৰ নাপলেয় বনাপাত আৰু আনজন হ'ল আডল্ফ হিটলাৰ। হিটলাৰৰ লক্ষ্য আছিল গোটেই পৃথিৱীখন এটা জ্যাতি আৰু এখন সাম্ৰাজ্যত পৰিণত কৰা যত ইহুদী আৰু কমিউনিষ্ট সকলৰ স্থান নাথাকিব প্ৰথম মহাসমৰত জাৰ্মানীৰ সামৰিক শক্তি ফ্ৰান্সৰ হাতত একেবাৰে ধ্বংস হৈছিল। সেই সময়তে হিটলাৰৰ নাজী পাৰ্টিয়ে ঠন ধৰি উঠিছিল। নাজী পাৰ্টিৰ আন কঁাধাৰ কেইজন হল হাৰমান গোৱেৰিং ৰজেন বাৰ্গ আৰু হাৰ মান হেচ। হিটলাৰে নাজী পাৰ্টিৰ অন্যতম সদস্য আৰ্ণেষ্ট ৰোৱেসৰ লগ লাগি অৱসৰ প্ৰাপ্ত সৈনিক, জেলৰ পৰা পলোৱা কয়দী দাগী অপৰাধী সকলক লৈ এছ-এ নামৰ এটা সৈন্য বাহিনী খোলে আৰু তাৰ মাজৰ পৰা বিশ্বাসী সকলক লৈ এছ এছ নামৰ সৈন্য বাহিনী এটা গঠন কৰে। এই দলদুটাৰ সহায়ত সেই সময়ৰ সকলোবোৰ ৰাজনৈতিক দল ভাঙি দিয়ে আৰু চৰকাৰ ভংগ কৰি নিজে জাৰ্মানিক চেঞ্চেলাৰ ২য় আৰু তেওঁৰ হাতত থকা বিশ্বাসী নাজী পাৰ্টিৰ সদস্য সকলক বিভিন্ন পৰ্য্যায়ৰ মন্ত্ৰী পাতে। ইয়াৰ পিছতে হিটলাৰে সেই সময়ৰ জাৰ্মানীৰ মৃত প্ৰায় সৈন্য-দলটো আধুনিক অস্ত্ৰৰে সু- সজ্জিত কৰে আৰু সৈন্য বাহিনীৰ হাইকমাণ্ডে ভাঙি দিয়ে আৰু সকলো ক্ষমতা নিজৰ হাতলৈ নিয়ে। তাৰ পিছতে এই সৈন্য দলটিৰ সহায়ত আৰম্ভ কৰে তেওঁৰ বিজয় অভিযান আৰু ইয়াৰ ফলস্বৰূপে আৰম্ভ হয় দ্বিতীয় মহাসমৰৰ।

হিটলাৰে প্ৰথমে অধিকাৰ কৰে নিচেই কাষতে থকা অষ্ট্ৰীয়া আৰু জাৰ্মাণীৰ লগত চামিল কৰি এখন দেশ বুলি ঘোষণা কৰে। অষ্ট্ৰীয়াৰ পিছতে হিটলাৰে অধিকাৰ কৰি গল চোকো শ্লোভিয়া, পোল্যে ফ্ৰান্স. কিনল্যে ডেনমাৰ্ক নৰৱে ধৰিছিল যদিও হঠাতে তেওঁৰ আক্ৰমণৰ লক্ষ্য বিমান ঘাটি সমূহ এৰি লণ্ডন

## ॥ আহ্বান ॥

দিলীপ কুমাৰ নাথ
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক

লোহিত্যৰ তীৰত
মূমূৰ্ষ জনতা,
কিহৰ তাড়নাত
কৰিছা আৰ্ত্তনাদ।
বুজা নাই
বুজিবৰ অবকাশো নাই।
কিন্তু এনেদৰে কলে জানো হব ?
জনম ভূমি ৰাখিবলৈ হ'লে—
কৰিব লাগিব মৃত্যুপণ,
লব লাগিব লাচিতৰ হেংদান।
আগুৱাব লাগিব আদৰ্শৰে
কনকলতা মূলা গাভৰুৰ।
গঢ়িব লাগিব যুদ্ধৰ বাবে
একে নিশাই ৰক্ষা কবচ।
নাভাবিবা নোহোৱা বুলি বীৰ
মণিৰাম পিয়লি খৰ্গেশ্বৰ দিলীপ হুজুৰী,
হে সন্তান জন্মভূমি ৰাখিবলে
আগবাঢ়া ........... ... আগবাঢ়া
সমস্বৰে গোৱা জয়গান।

## । উন্মত যৌৱন ।

শ্ৰীহুৰ কুমাৰ ৰাভা
উচ্চতৰ মাধ্যমিক শ্ৰেণী
বিজ্ঞান
২য় বাৰ্ষিক

অশালীন স্বপ্নবোৰ হৃদয় উজাৰি ওলায়
যৌৱনৰ পয়োভৰে বিশৃঙ্খলতাৰ সৃষ্টি কৰে
কিমান যে ভুগিলো যাতনা
উন্মাদ বাসনাবোৰৰ বাবে
তথাপিও মন মোৰ হোৱা নাই ক্লান্ত
অশান্ত অনুভূতি গতি অবিশ্ৰান্ত
মুখৰ হাঁহি বিৰিঙাই চিৰ জ্যোতিস্মান
আঃহ কি ভয়াৰহ ... ... ... .... ।
সকলোবোৰ শিকলিৰ বান্ধ
খুলি খুলি যায়
উন্মত্ত যৌৱনৰ অবিশ্ৰান্ত গতিৰ বাবে॥



# —আঞ্জলী হৰিণী—

শ্ৰীমনোৰঞ্জন নাথ
উঃ মাঃ প্ৰথম বাৰ্ষিক (কলা)

আঞ্জলী হৰিণী এটি অকলে অকলে
দিগন্তৰ ফালে চাই,
কৰকে নোৱাৰো সখি কি কথা ভাৱিছে
অকলে অকলে তাই।
নিৰ্জন বনত সখি কিয় জানো আজি
ভাৱমত্ত চিন্তা ক্লিষ্ট,
নাজানো কোন সথাই স্ব প্ৰিয়তমাক
দিলে এনে মনোকষ্ট।
অন্তৰৰ যত-দুখ চকুৰ পানীৰে
কৰি দিলে যে প্ৰকাশ
সংগী থাকিও আজি সংগীহীনা সখি
দূৰ দিগন্ত আকাশ।
প্ৰেমাতুৰা সংগীক কত যে কিমান
প্ৰেম যাঁচিছিল তাই,
সখিৰ সপোন আজি দিঠক নহ'ল
সংগী কাষত নাই।

★ ★ ★

আও, হৰিণী দেখোন নলৰে নচৰে
কি হ'ল তাইৰ আজি,
ইমান কাষ চাপিছো তথাপি অলৰ
নে মৃত্যুৰ মাৰিছে বাজি?
জীৱন্তে পাম বুলি হৰিণী জনীক
ডিঙিত সাৱটি ধৰি,
মনৰ আনন্দে মই ৰ'লো বহু পৰ
চেতনা নাহেচো' ঘূৰি।
আপাদ মস্তক চাই গম পালো মই
জীৱন্ত নহয় তাই,
এইটো এটা শৰীৰ মৃত হৰিণাৰ
ডিঙি মোৰ গ'ল শুকাই।
হৰিণীক এৰি থৈ দৌৰ দিলো ভিৰাই
সন্মুখৰ ফালে চাই,
ততালিকে সাৰ পাই অনুভব কৰিলোঁ।
বিচনাতে আছো মই।

## অসহায় ছোৱালী জনী

শ্ৰীদীলিপ কুমাৰ বড়ো
টি, ডি, চি প্ৰথম বাৰ্ষিক

মাথো এটি অনুৰোধ শিল্পী
তোমাৰ তুলিকাৰে মাথো এটি
অঙ্কিত কৰা
য'ত চিহ্নিত হ'ব
অসহায় ছোৱালী জনীৰ
ব্যাথা ভৰা হৃদয়ৰ
গুপুত বেদনা ।

মোৰ মনত আছে
আলফুলীয়া ছোৱালী জনী
যি জনীৰ ফ্ৰোক টোৱে
যাৰ যৌৱন ঢাকিব পৰা নাছিল !
লাজত সেঁতা পৰি
ফ্ৰোকটো মাথো টানিছিল
আৰু টানিছিল ।

হে শিল্পী তোমাৰ তুলিকাৰে
তাইৰ নিমজ চকুজুৰি
এনেকৈ অঙ্কিত কৰিবা যেন
সেই নিমজ চকুজুৰিয়ে
চাৰিওপিনে কিবা বিচাৰিছে
বিচাৰিছে কাৰোবাৰ পৰা অকনমান
অকৃত্ৰিম স্নেহ আৰু
জীয়াই থকাৰ প্ৰেৰণা ।

আৰু শেষত লাঞ্চিতা, বঞ্চিতা হৈ
চকুজুৰি যেন সেমেকি উঠিছে
তাইৰ ভপত চকুলো দুধাৰি ······
এনেকৈ অঙ্কিত কৰিবা
যত শ্ৰোতস্বিনীৰ দৰে, চকুলো
হিলদল ভাঙি গৈ আছে
বাধাৰ প্ৰাচীৰ স্বৰূপ শিলা খণ্ড
চূৰ্ণ বিচূৰ্ণ কৰি ····· ।

## ঃ মই বনুৱা ; মই ৰনুৱা ঃ

দিবাকৰ শৰ্মা
স্নাতক ২য় বাৰ্ষিক

মই বনুৱা, এৰা মই বনুৱা'
নহয় ; মই ৰনুৱা ;
দেখা নাই মেদিনী ফালি ৰক্তাক্ত সূৰুয
ওলাই আহিছে ।
শুনা নাই তৰোৱালৰ ৰজন জননে
হুংকাৰ মাৰিছে ।
মোৰ দুবাহুত থকা শক্তিক
তোমালোকে ভেঙুচালি কৰিছা ?
দেখা নাই নৌকা যুদ্ধত
নৱীয়া গাবে কৰা যুজ ?
শুনা নাই

মোৰ ভাইৰ কেচাতেজৰ
লুইতৰ পাৰত বিননি ?
মই তাৰেই বংশধৰ ।
এৰা ! মই বনুৱা
ৰনুৱা হৈও মই ৰনুৱা
মই অথৰ্ব হৈও পঙ্গু নহও ।
মোৰ মৃত্যুৱে ৰিঙিয়াই কৰা প্ৰতিবাদত
তোমালোক ছাই হৈ যাবা ।
পৰাজয়ৰ গ্লানিয়ে তোমালোকক
দহি মাৰিব ।
এয়া কংশ নিধনৰ পাল ।
নৰসিংহ ৰূপে কশিপু বধৰ পাল ।
দুঃশাসনৰ ৰক্ত পানৰ পাল ।
প্ৰলয় জলত চাৰিবেদ উদ্ধাৰৰ পাল ।
সেয়ে—
মই ৰনুৱা হৈও ৰনুৱা ।

গল্প

# ঘেৰ ঘেৰি বাছ

শ্ৰীপ্ৰণৱ দাস
১ম বাৰ্ষিক ( বিজ্ঞান )

ক্ৰিং ক্ৰিং ক্ৰিং। কলিং বেলৰ শব্দত মোৰ টোপনি ভাগি গ'ল। মই হুৰ মুৰকৈ বিছনাত উঠি বহি দুৱাৰৰ বাহিৰ ফালে কান দিলো। বাহিৰত শুনা পালো কিছুমান খোজৰ শব্দ। মই প্ৰথমে সৰু লৰা ছোৱালী বোৰে দুষ্টালী কৰা বুলি ভাৱিছিলো। কিন্তু কিবা ভাৱি মই মোৰ নিজৰ অজ্ঞাতে দৰ্জাৰ ফালে আগবাঢ়ি খিলিটো খুলি দিলো। বাহিৰত দেখা পালো গাখীৰ বেপাৰীটোৱে ৰাতিপুৱাৰ গাখীৰ দিবলৈ আহিছে। মই ভিতৰলৈ গৈ পাত্ৰ এটি আনি তাৰ পিনে আগুৱাই দিলো। সি পাত্ৰটোত তাৰ নিজস্ব সজুঁলিটোৰে গাখীৰ ঢালি দিয়াৰ লগতে মোলৈ বুলি এখন কাগজ আগবঢ়াই দিলে। মই কাগজখন পঢ়ি তাৰ মুখলৈ চাই ৰলো। ইমান টকা হৈছে মই ভাৱি আগ গুৰি নাপালো। মোৰ দোধোৰ মোধোৰ অৱস্থাৰ কথা বোধ হয় সিবুজি পালে আৰু মোক উদ্দেশ্য কৰি কলে→ চলিত মাহ আৰু যোৱা মাহৰ লগত লগ লগাইহে আপোনাক বিল দিছো। তাৰ কথাতহে মোৰ দোধোৰ মোধোৰ মনটো শুদ্ধ পথলৈ ঘুৰি আহিল। মোৰ নিজৰে লাজ লাগি গ'ল। তাৰ মানে মই যোৱা মাহৰ টকা দিয়াই নাই। পিছত গাখীৰ বেপাৰীটোক টকা সহ বিদায় দিলো।

এইবাৰ মই দৰ্জাখনৰ খিলিটো বন্ধ কৰি ভিতৰলৈ আহিলোঁ। ভিতৰত কাপোৰ যোৰ পিন্ধি ভাত খাবলৈ বহিছোহে এনেতে আকৌ কোনোবা অহাৰ সংকেত ক্ৰিং ক্ৰিং। মই বৰ বিৰক্তি অনুভৱ কৰিলো। এবাৰ ভাবিলো কলিং বেলটো আতৰাই থম নেকি? কিন্তু পিছ মূহুৰ্ততে ভাবিলো চহৰৰ যিহেতু প্ৰত্যেক ঘৰ মানুহে কলিং বেলৰ প্ৰয়োজন বোধ কৰে মই তাৰ ব্যাতি ক্ৰম হওঁ কিয়? ভাৱি ভাৱি কেতিয়া গৈ সন্মুখৰ দৰ্জা খনৰ

খিলিটো খুলি দিলে গমকে নাপালো । বাহিৰত বৈ থকা পেপাৰ বেপাৰীটোৰ মাততহে সম্বিত ঘুৰাই পালো। এইয়া লওঁক বাবু আপোনাৰ বাতৰি কাকত এইদৰে কৈ সি মোৰ ফালে এখন বাতৰি কাকত আগবঢ়াই দি অদৃশ্য হ'ল । সি যোৱাৰ ফালে মাথো মই চাই ৰলো । হঠাৎ কিয়া ভাবি বাতৰি কাকতত চকু ফুৰালো। প্ৰথম পৃষ্টাত মোৰ দৃষ্টি গোচৰ হ'ল এটি বাছ দুৰ্ঘটনা। মই ঘটনাটো পঢ়ি বলৈ ললো। পঢ়া শেষ হওঁত মোৰ চকুৰে পানী নিজৰি নিজৰি ওলায় লৈ ধৰিলে যেন দুটি নিজৰা এইমাত্ৰ পাহাৰৰ ওপৰৰ পৰা তললৈ বৈ আহিছে ।

মই ভাৱ সাগৰৰ বহল বকুত মোৰ সৰু নাওঁখন মেলি দিলো আৰু তাৰ মাজতে মোৰ ব্ৰজেনৰ মুখখন জিলিকি উঠিল । ব্ৰজেন আৰু মই একেলগে পঢ়িছিলো । আমি সহপাঠী আছিলো। আমি প্ৰায় একেলগে ফুৰিছিলো। কিন্তু তাৰ মাজতে আমাক শনিয়ে ধৰিলে । আমি দুয়ো এদিন বন্ধু বিচ্ছেদ কৰিলো । সিওঁ মোৰ পৰা আতৰি ফুৰা হ'ল আৰুময়ো তাৰ পৰা আতৰি ফুৰা হ'লো । ইতিমধ্যে আমাৰ প্ৰবেক্সিকা পৰীক্ষা নিচেই ওচৰত আছিল পৰীক্ষাত মই উৰ্ত্তীৰ্ণ হলো কিন্তু সি পৰীক্ষা দিবই নোৱাৰিলে। কাৰণ যি ঘৰ মানুহে এসাজ খাই আন সাজলৈ চিন্তা কৰিব লাগে সেই ঘৰৰ ল'ৰাই পৰীক্ষাত বহে কেনেকৈ ? তেতিয়াৰ পৰা আমাৰ দুয়োৰে আজিলৈকে দেখা দেখি হোৱা নাই । মই চহৰলৈ গুছি অহাৰ কেইদিন মান পিছত খবৰ পালো যে সি বোলে তাৰ ওচৰতে থকা চাহ বাগিছাৰ সহৰি পদত ভৰ্ত্তি হৈছে ।

সি মই থকা চহৰ খনলৈ প্ৰায় অহা যোৱা কৰে । চাহ বাগিছাখনৰ আগৰে দৈনিক ৰাতি পুৱা এখন ঘেৰ ঘেৰ শব্দৰে পুৰণি বাছ অহা যোৱা কৰে। সেই বাছখনকে চাই বাগিছাৰ বনুৱাকে ধৰি সকলোৱে চহৰলৈ ঢাপলি মেলে। সেই ৰাস্তাটোৰ আছিল সেইখনই একমাত্ৰ বাছ। তেওঁলোকৰ কাৰণে সেই বাছখনই আছিল যেন যথেষ্ট। তেওঁলোকৰ দুখ কষ্ট লাঘৱ কৰিব পৰিছিল সেই কছে । ব্ৰজেনেওঁ অন্য সকলৰ দৰে ঘেৰ ঘেৰ বাছখনতেই আহ-যাহ কৰিছিল ।

এদিন ৰাতিপুৱা ঘেৰ ঘেৰি বাছতেই সি চহৰলৈ কিয়া এটা বিশেষ কামত গৈছিল কিন্তু তাৰ যাত্ৰা সেইদিনা শুভ নাছিল । বাছ খন গৈ থাকতে ৰাষ্টাৰ মাজত থকা এটি গৰুৰ প্ৰাণ বছাব যায় বাচখন দুৰ্ঘটনাৰ পতিত হৈছিল আৰু বাছখন ওচৰতে থকা দ গৰ-খাৱৈ এটিত পৰি গৈছিল ।

পিছত গম পোৱা গৈছিল যে বাছখনৰ মাথো চাবিটি প্ৰানীয়ে নিয়তিৰ নিষ্ঠুৰ হাতৰ পৰা ৰক্ষা পৰিছিল। ঘটনাৰ দুদিন পিছতে চাহ বাগিছাৰ অৰ্থাৎ ঘেৰ ঘেৰি বাছৰ লোম হৰ্ষক দুৰ্ঘটনাটো বাতৰিত আগ স্থান লাভ কৰিছিল। মই বাতৰি কাকততে ঘটনা টো নিৰ্দ্দিষ্ট অঞ্চলটোতে দুৰ্ঘটনা । মোৰ হাতত থকা বাতৰি কাকত খন কেতিয়ায়ে মাটি পালে ধৰিবই নোৱাৰিলো । বাতৰিখন হাতৰ পৰা পৰি যোৱাত হে বাস্তৱলৈ ঘুৰি আহিলো । আৰু মোৰ চকুৰ নিজৰা দুটি বন্ধ কৰিবলৈ মোৰ জেপত থকা ৰুমাল খন সৎ ব্যৱহাৰ কৰিলো । ▱

# প্ৰতাৰনা

শ্ৰীগঙ্গেশ্বৰ কলিতা
স্নাতক ২য় বাৰ্ষিক

বাহিৰত ওলাই চাৰিওফালে চকু ফুৰালে অৰুণে। বাৰটা বছৰ পিছত পৃথিৱীখন তাৰ নতুন নতুন লাগিল। প্ৰকৃতিৰ গছ-লতা, চৰাই চিৰিকতিৰ মাজত সি এটা নতুন পৰিবৰ্ত্তন লক্ষ্য কৰিলে। এৰা বহুত বছৰ পিছত সি আকৌ উভতিছে মুক্ত পৃথিবীখনলৈ।

আজিৰ পৰা ঠিক বাৰ বছৰ আগতে এনে এটি দিনতে সি জেইলৰ চাৰিবেৰৰ মাজত জীৱন যাত্ৰা আৰম্ভ কৰিছিল। যোৱা সম্পুৰ্ণ বাৰটা বছৰ সি জেইলৰ চাৰিবেৰৰ মাজত কটাই দিলে স্তব্ধ ভাবে। কিন্তু বাহিৰত ওলাই আজি তাৰ গতি ৰুদ্ধ হৈ গ'ল। সি এতিয়া কলৈ যাব? তাৰ পুৰণি সমাজ খনেতো তাক আকৌ আগৰ দৰে গ্ৰহণ নকৰে। কিন্তু যাবই বা ক'ত? তাৰ চিন্তাত যতি পৰি যায়। সম্পূৰ্ণ বাৰটা বছৰ ধৰি তাৰ বাহিৰত ওলোৱাৰ যি অদম্য হেপাহ আছিল, আজি এই মূহুৰ্ত্তত সকলো নিঃ শেষ হৈ গ'ল। অনিচ্ছাকৃত ভাবে লাহে লাহে সি আলিবাটত খোজ পেলালে।

প্ৰতিটি খোজৰ ঝংকাৰত পুৰণি কথা বোৰে তাৰ মনত হিল্লোল তুলিবলৈ ধৰিলে। তাৰ কলেজীয়া জীৱনৰ প্ৰতিটি মূহুৰ্ত্ত ........ লগে লগে তাৰ মনত উদ্ভাসিত হ'ল শেৱালীৰ প্ৰতিচ্ছৱি P. U. lst year তে তাৰ মনৰ সান্নিধ্যলৈ অহা শেৱালীজনী। যাৰ নিবিড় সান্নিধ্যত সি বহু মূল্যবান সময় জলাঞ্জলি দিছিল। পাৰ্কৰ ঘাহঁনিত বহি যাৰ হাতখন তাৰ দুহাতৰ মাজত ৰাখি বহু সময় পাৰ কৰিছিল। সেই শেৱালী জনীয়ে তাৰ অবিহনে আত্ম হত্যা কৰিম বুলি কৈছিল। কিন্তু তাইৰ এটি মাত্ৰ ভুলেই, ভুল নহয় প্ৰতাৰনাই তাৰ জীৱনলৈ নমাই আনিলে অমাবস্যাৰ কলা আন্ধাৰ। অতীতৰ কথাবোৰ এটি এটিকৈ তাৰ মনত উদ্ভাসিত হবলৈ ধৰিলে।

সেয়া আছিল বাৰ বছৰ আগৰ বৰ্ষণ-মুখৰ এটা নিশা। সন্ধিয়াৰ পৰাই এচপৰা কলা ডাৱৰে আকাশখন ছানি ধৰিছিল। বিজুলী ঢেবেকণীয়ে সোঁৱৰাই দিছিল যে অলপ পিছতে এজাক ডবা পিতা বৰষুণ হব। কিন্তু কিনকিনিয়া বৰষুণতে মেঘৰ সেই তৰ্জন গৰ্জনৰ সাম কাটিব ধৰিলে তেতিয়া মাজনিশা হঠাৎ ............

: টক টক টক ........

: কোন? দুৱাৰত কৰা কৰাঘাতত টোপনিৰ পৰা খক-মককৈ সাৰ পাই অৰুণে মাত লগালে। কিন্তু কোনো উত্তৰ নাই। ঘড়ীটোলৈ চালে অৰুণে। ১২ বাজি ১৫ মিনিট গৈছে। ইমান নিশা কোন হব পাৰে? তাৰ চিন্তা বাঢ়ি যায়।

: বাহিৰত কোন সেয়া? অৰুণে তীব্ৰ

ভাবে আকৌ সুধিলে।

ঃ মই। সৰুকৈ শুনা গল এটি নাৰী কণ্ঠস্বৰ। সন্দেহ আৰু বিস্মিত মনে লাহে লাহে অৰুণে দুৱাৰৰ খিলি টোত হাত দিলে।

ঃ তুমি ? অৰুণে দুৱাৰ খুলি আগন্তুকক দেখি আচৰিত হ'ল।

ঃ কিন্তু ইমান ৰাতি তুমি কৰ পৰা ? আহা ভিতৰলৈ আহা বাহিৰত বৰষুণ দি আছে। অৰুণে আগন্তুকক হাতত ধৰি ভিতৰলৈ আনিলে।

ঃ ইমান ৰাতি তুমি কৰ পৰা আহিলা শেৱালী ? অৰুণে তাইক বিচনাত বহিব দি নিজে কাষত বহি সুধিলে কিন্তু তাই মাথোন কান্দিব ধৰিলে। লাহে লাহে উচুপনি বাঢ়ি গল। অৰুণ বৰ বেমেজালিত পৰিল।

ঃ শেৱালী ; কি হৈছে তোমাৰ ? অৰুণে শেৱালীৰ মুৰটো ডাঙি দি সুধিলে। কিন্তু তাইৰ উচুপনি বন্ধ নহল।

ঃ শেৱালী কোৱানা কি হৈছে তোমাৰ ? চকুৰ পানী বোৰ মচি দি দি অৰুণে সুধিলে।

ঃ মোক মোক ঘৰৰ পৰা উলিয়াই দিছে অৰুণ দা। অৰুণৰ বুকুত মুৰটো গুজি দি জোৰেৰে কান্দি উঠিল।

ঃ কিন্তু কোনে ? কিয় ? অৰুণ আচৰিত হ'ল।

ঃ ককাইদেউৱে। তাই উচুপি উচুপি কলে।

ঃ কেতিয়া দিলে ? অৰুণৰ চকু দুটি ডাঙৰ হল।

ঃ সন্ধিয়া ৭-৩০ মান বজাত।

ঃ কিন্তু তুমি ইমান সময় কত আছিলা ? মোক আগতে মতা নাই কিয় ?

ঃ তোমালোকৰ ঘৰৰ মানুহ বোৰ শোৱা নাছিল বাবে মই সৌ জোপোহা জোপাৰ তলত বহি আছিলো। চকু পানী মচি মচি শেৱালীয়ে কলে।

ঃ বাৰু যি হ'ক। কিন্তু তুমি এতিয়া ইয়াত কেনেকৈ থাকিবা ? মানুহে জানিলে বৰ বেয়া কথা হব। বলা তোমাক ঘৰত থৈ আহো। অৰুণে তাইৰ পিঠিত হাত বুলাই বুলাই নম্ৰ সুৰত কলে।

ঃ উহু মই নেযাওঁ। তাই উচুপি উঠিল।

ঃ নহয় শেৱালী তুমি যাবই লাগিব। আন মানুহে জানিলে বৰ দুৰ্নাম হব তোমাৰ। আচলতে ককাইদেউৱাই যদি তোমাক কিবা খংত উলিয়াই দিছে এতিয়া হয়তো অনুতপ্ত হৈছে। হয়তো তুমি মাৰাৰ লগত শুই থকা বুলি ভাবিয়ে তেওঁও বিচাৰ খোচৰ কৰা নাই। অৰুণে বুজনিৰ সুৰত কথাষাৰ কৈ তাইৰ ফালে চালে।

ঃ উহু মই নেযাওঁ। আকৌ উচুপনি।

ঃ তেন্তে কি কৰিব খোজা ? অৰুণৰ তীব্ৰ কণ্ঠস্বৰ। শেৱালী নিমাত।

ঃ মোৰ ইয়াতে থাকিব বিচৰা ?

ঃ উ: তাই উচুপি উচুপি কলে।

ঃ কিন্তু মই তোমাক ইয়াত ৰাখো কেনেকৈ ? তোমাক ৰাখিব লাগিলে দুয়ো ইয়াৰ পৰা ৰাতিয়ে পলাই যাব লাগিব। যাবা ?

ঃ যাম চকুপানী মচি মচি তাই কলে।

ঃ কিন্তু তোমাৰ লাগতিয়াল কাপোৰ কানিটো একোৱে অনা নাই। কালি ৰাতিপুৱাই তুমি কি পিন্ধিবা ?

ঃ আনিছো। ককাইদেউৱে উলিয়াই দিওতে

মায়ে মোৰ কাপোৰ দুযোৰ বাষ্টাত দি গৈছে।

: মাৰাই দি গৈছে ? অৰুণৰ যেন কৰবাত খোকজা লাগিল। যেন শেৱালীয়ে কিবা লুকুৱাইছে'

: কিন্তু কাপোৰ কত! ? প্ৰমান চোৱাৰ ভঙ্গীমাত কথাকেইটা অৰুণে কৈ শেৱালীৰ ফালে চালে।

: বাহিৰৰ বাৰান্দাত থৈছো। শেৱালীৰ কথাত অৰুণ একেজাপে উঠি বাহিৰৰ বাৰান্দাৰ তাৰ ডালৰ পৰা দুযোৰ মেখেলা চাদৰ টান মাৰি লৈ আহি ঘূৰাই পকাই চাব ধৰিলে।

: ঠিকেইটো ! কিন্তু তাইক ঘৰৰ পৰা কিয় উলিয়াই দিলে ? এয়া কিহৰ চক্ৰান্ত ? অৰুণে ভাবিলে।

: বাৰু শেৱালী কিয় তোমাক ককাইৰাই উলিয়াই দিছে ? অৰুণে মৰমেৰে সুধিলে। শেৱালী নিমাত।

: কোৱানা শেৱালী। মোৰ পৰা জানো তুমি কিবা লুকুৱাব বিচৰা ? অৰুণে গদ্ গদ্ কণ্ঠে কলে।

: তুমি কিয় নজনা ভাও জুৰিছা ? শেৱালীয়ে প্ৰতিবাদৰ সুৰত কলে।

: তাৰ মানে ? সি বিস্মিত হ'ল।

: মই মই অন্তঃস্বত্বা। শেৱালী কৈ উচুপি উঠিল।

:অন্তঃস্বত্বা ? কিন্তু কোনে ? কোনে কৰিলে তোমাৰ এই সৰ্ব্বনাশ। অৰুণ খঙত কপিবলৈ ধৰিলে।

: তুমি মোক অবিশ্বাস কৰা ? গদ্ গদ্ স্বৰে কলে তাই।

: তুমি কি কব বিচাৰিছা, খোলাখুলিকৈ কোৱা। কোনে তোমাৰ এই সৰ্ব্বনাশ কৰিলে ? অৰুণৰ খংত চকু ৰঙা হ'ল।

: কি তুমি নজনা ভাও জুৰিছা অৰুণদা ? তিনিমাহ আগৰ সৌ দিন বোৰ, যেতিয়া তুমি আৰু মই .... ........ .. ।

: শেৱালী কি কব খুজিছা তুমি ? তাৰ মানে তুমি কব খোজা তোমাৰ এই অৱস্থাৰ নায়ক মই। অৰুণ খং আৰু বিস্ময়ত হতবাক হ'ল।

: তুমি কিয় মোক বিশ্বাস নকৰা অৰুণ দা ? তুমিয়েটো মোৰ এই ............ ।

: নহয় শেৱালী নহয়। তুমি ভূল কৰিছা। তুমি মোৰ বিষয়ে বহুত জানিবৰ বাকী বাবেই তেনেদৰে কৈছা। অৰুণে হতাশাত ভাগি পৰিল।

: অৰুণ দা।

: চোৱা শেৱালী তোমাক মই গভীৰ ভাবে ভাল পাইছিলো। তোমাৰ সান্নিধ্যতে মই মোৰ জীৱনৰ বাকী কাল চোৱা কটাম বুলি ভাবিছিলো। কিন্তু তুমি .. ..... ..... ...

: অৰুণ দা। —শেৱালী উচুপি উঠিল।

: তোমাক পাহৰি মই এখন্তেকো ৰব পৰা নাছিলো শেৱালী। তুমি বিহনে মোৰ মন আকাশ সদায়। অন্ধকাৰ হৈয়ে ৰব। কিন্তু ...... ..
অৰুণৰ উশাহ ঘন হৈ যায়।

: অৰুণ দা

: চোৱা শেৱালী মইটো চিনেমাৰ নায়ক নহয় যে নায়িকা পথগামী হলেও পুনৰ বুজাই বঢ়াই মই তাইক আকৌ গ্ৰহণ কৰিম।

অৰুণ দা তুমি কি কব বিচাৰিছা ? স্থিৰ নেত্ৰে শেৱালীয়ে কথা কেইষাৰ কলে।

: এৰা। তুমি মোক প্ৰতাৰনা কৰিছা। তোমাৰ গৰ্ভত সেয়া আন কোনোবা তোমাৰ গোপন প্ৰেমিকৰ জীয়া স্বাক্ষৰ। অৰুণৰ চকু

চুটি চলচলীয়া হল ।

: অৰুণ দা তুমি......... তাই জোৰেৰে উচুপি উঠিল ।

: চোৱা শেৱালী তুমি যদিও ভাল জালেই পাতিছিলা, তথাপি তুমি বহুত ভূলেই কৰিলা যাৰ বাবে ......... ... ..

: অৰুণ দা ...

: শুনা শেৱালী প্ৰথমতে তুমি কলা যে ককাইবাই তোমাক ৭-৩০ মান বজাতে উলিয়াই দিলে, কিন্তু তুমি বাব বজালৈ বাহিৰত বৈ থকাৰ অৰ্থ কি ? তুমি কোৱাৰ দৰে এই বৰষুণৰ ৰাতি তুমি জোপোহাৰ তলত বৈ থাকিলেও টো। অলপ হলেও তিতিলাহেতেন ! কিন্তু তেনে চিনটো মই একো পোৱা নাই। অভিজ্ঞৰ দৰে অথচ খংত কথা কেইষাৰ কৈ অৰুণ কিছু সময় ৰল ।

: দ্বিতীয়তে তোমাক ককাইবাই ঘৰৰ পৰা উলিয়াই দিয়তে মাৰাই কিয় কাপোৰ যোৰ তোমাক বাটত দি গল ? এয়া হয় তোমালোকৰ চক্ৰান্ত নহয় তুমি মিছা মাতিছা। অৰুণে শেৱালীৰ ওপৰত চকু ৰাখি কথা কেইটা কলে ।

: অৰুণ দা ......... তাই উচুপি উচুপি অৰুণ মুখৰ ফালে চালে ।

: শেষত আটাইতকৈ নিদাৰুণ আৰু সত্য প্ৰমানটো হল মোৰ সন্তান জন্ম দিব পৰা ক্ষমতা নাই ।

: অৰুন দা শেৱালী উচুপি উঠিল ।

: চুবছৰ আগতে মোৰ এপিণ্ডিচাইটিচৰ অপাৰেচন কৰিবলৈ গৈ মই মোৰ পৌৰুষত্ব হেৰুৱাই পেলালো । বহু চেষ্টা কৰিও ডাক্তৰে মোৰ পৌৰুষত্ব ঘুৰাই আনিব নোৱাৰিলে । এয়া মোৰ স্পাৰ্ম, টেচ্‌টিচ ইত্যাদিৰ টেষ্ট ৰেৰ্পোট। সৰু ব্ৰিফকেইচটোৰ পৰা কেইখন মান কাগজ আনি শেৱালীৰ ওচৰলৈ দলিয়াই দি কথা কেইষাৰ কলে ।

: তুমি শুনিলে চুখত ভাগি পৰিবা বুলিয়েই মই এই ৰোৰ কথা আগতে তোমাক কোৱা নাছিলো। অৰুণৰ চকু চুটা চলচলীয়া হল ।

: অৰুণ দা ..... ....

: কোৱা শেৱালী তুমি এতিয়াও কব খোজা তোমাৰ গৰ্ভৰ সেই সন্তানৰ পিতৃ মই ? অৰুণ একেথৰে তাইৰ ফালে চাই ৰ'ল ।

: কিয় ? কিয় তুমি মোক এনেদৰে প্ৰতাৰনা কৰি আনৰ ওচৰত নিজকে বিলালা ? কোৱা সেয়া কোন ? অৰুণৰ চকু চুটি ডাঙৰ হ'ল।

: অৰুণ দা মোক মোক ক্ষমা কৰিবা । মই মই ......তাই অৰুণৰ ভৰি চুখনত সাৱোটি ধৰিলে ।

: যিজনী ছোৱালীয়ে এজনৰ ওচৰত প্ৰেমৰ অভিনয় কৰি আনৰ ওচৰত গোপনে কামনাৰ পৰিতৃপ্তি ঘটায় তেনে ছোৱালীক মই ঘৃনা কৰো। অৰুণ শেৱালীৰ ওচৰৰ পৰা আঁতৰি গল ।

: শেৱালী কোৱা সেয়া কোন ? যিয়ে তোমাৰ ... .....

: অৰুণ দা তাই জোৰেৰে উচুপি উঠিল।

: শেৱালী মোৰ কথাৰ উত্তৰ দিয়া । অৰুণ খংত শেৱালীৰ পিনে চুখোজ আগুৱাই আহিল।

: অৰুণ দা মোক ক্ষমা কৰিবা । তাই উচুপি উচুপি কব ধৰিলে এদিন মানস দাই ...

: মানস ? শেৱালীৰ কথাৰ ওপৰতে অৰুণে

চিঞৰি উঠিল। তুমি মোৰ ওচৰত ভালপোৱাৰ অভিনয় কৰি মানসৰ ওচৰত নিজকে বিলালা নহয় ? অৰুণ আকৌ দুখোজ আগুৱাই গল শেৱালীৰ ফালে। তোমাক মই······ ···· অৰুণে শেৱালীৰ গলত দুহাতেৰে চেপি ধৰিলে। তাই উশাহ নাপাই চটফটাবলৈ ধৰিলে।

: তোমাক মই প্ৰাণ ভৰি ভাল পাইছিলো বাবেই তোমাক আজিলৈ মই ৰেহাই দিলো। গলৰ পৰা হাত দুখন এৰুৱাই আনি অৰুণে কলে। কিন্তু তুমি মোৰ ওচৰৰ পৰা আতৰি যোৱা, চিৰদিনৰ বাবে। তোমাৰ সৈতে আজিৰ পৰা মোৰ কোনো সম্পৰ্ক নাই। অৰুণ তাইৰ ওচৰৰ পৰা আঁতৰি গৈ বেৰৰ পিনে মুখ কৰি থিয় হল।

: অৰুণ দা মই মই·····················

: যি কৈছো তাকে শুনা। নহলে হয়তো মোৰ ধৈৰ্য্যৰ বান্ধ চিঙি যাব। অৰুণৰ চকু দুটা সেন্দুৰ যেন হ'ল।

: নহয় অৰুণ দা ····· ···শেৱালীৰ বাক্য শেষ নহল। অৰুণে ঘপকৈ তাই হাতত ধৰি এক প্ৰকাৰ টানি নিয়ে বাহিৰ উলিয়াই দি দুৱাৰত খিলি লগাই দিলে।

নিদ্ৰাহীন ভাবে ৰাতিটো কটাই ৰাতি পূৱাই সি ওলাই গল উদ্দেশ্য বিহিন ভাবে। শেৱালীৰ ঘৰৰ আগেৰে যাওঁতে ঘৃনাত তাৰ নাকটো কোছ খাই গল। আবেলি চাৰিটা মান বজাত সি উভতিছে ধলং পলং খোজেৰে। আহি আহি সি তিনি আলিৰ পাৰ্কখনতে বহিল। মুখত তাৰ মদৰ গোন্ধ, চকুত নিদ্ৰাহীনতাৰ প্ৰলেপ আৰু মুখমণ্ডলত চিহ্নিত হৈছে বেদনা সিক্ত অস্পষ্ট ৰেখা।

তেতিয়া আন্ধাৰ নামিছে। চৰাই-চিৰিকটি বোৰ নিজৰ নিজৰ বাহত আশ্ৰয় লৈছে। এনে সময়তে মানস পাকৰ সন্মুখেৰে ঘৰলৈ উভতিছে। হঠাৎ মানসক দেখি অৰুণৰ হৃদয়ৰ স্পন্দন বাঢ়ি গল।

: মানস। পিছফালৰ পৰা বেগাই গৈ অৰুণে মাতিলে।

: কোন ? অ অৰুণ! মানসে থিয় দিলে।

: বিশ্বাস ঘাটক। তই মোক ··· ·· অৰুণ খংত কপিবলৈ ধৰিলে।

: অৰুণ কি হৈছে··· মানসে তাৰ বাক্যটো শেষ কৰিব নোৱাৰিলে। অৰুণৰ ব্যায়ামপুষ্ট হাতৰ এটা শক্তিশালী বক্সিং তাৰ নাকৰ ওপৰত পৰিল। মানসে ভাৰসাম্য ৰাখিব নোৱাৰি দুখোজমান পিছুৱাই গৈ বাগৰি পৰিল। লগে লগে অৰুণে তাৰ চোলাৰ কলাৰত ধৰি তুলি লৈ পাৰ্য্যমানে কেইটামান বক্সিং তাৰ মুখত আৰু পেটও মাৰিলে। অৰুণৰ শক্তিশালী হাতৰ বক্সিং সহ্য কৰিব নোৱাৰি মানস অৱশ হৈ বাগৰি পৰিল। কিন্তু অৰুণৰ খং তেতিয়াও কমা নাই। খংত তাৰ মুখ বিকৃত হৈ পৰিল। একেজাপে সি মানসৰ ডিঙিত দুহাতেৰে চেপি ধৰিলে। তাৰ পাছত ····তাৰ পাছত তাৰ আৰম্ভ হল কয়েদী জীৱন। ·····

কেৰ্ কেৰ্ কেৰ্ কে—ৰে—ক। এম্বেচাদৰ খনে তাৰ পিছতে ব্ৰেক মাৰি কথমপি তাৰ গাত নলগাকৈ ৰখাতহে তাৰ সম্বিত ফিৰি আহিল। সি ৰাস্তাৰ দাঁতিৰ ফালে আহিলে গাড়ীৰ ভিতৰৰ পৰা তাক কোনোবাই কিবা কলে। কেইজন মানে গিৰ্জ্জনী মাৰি হাঁহিলে।

তাৰ সেই ফালে ভ্ৰূক্ষেপ নাই। সি ৰাষ্ট্ৰাৰ দাঁতিৰ পৰা সোমাই যোৱা সৰু বাটটোৰে খোজ পেলালে।

: বাবু কিয়া চাহতা হ্যায় ? চিৰাব ? আত-আত আপ যিতনা চাহতা হায় ইতনায়ে মিলেগা। কিছুদূৰ যোৱাৰ পিছত এটা জুপুৰী ঘৰৰ চোতালৰ পৰা এজন দেশোৱালীয়ে তাক উদ্দেশ্য কৰি কথা কেইটা কলে। অৰুণে একো নকৈ তাৰ ফালে আগবাঢ়ি গল। দেশোৱালীটোৱে তাক জুপুৰীটোৰ বাৰান্দাত বহিবলৈ দি এটা মদৰ বটল আৰু এটা গ্লাছ আনি তাৰ আগত থলে।

: বাবু আপ পিও। আৰাম সে পিও। মে আভী আতা হুঁ। দেশোৱাল টোৱে তাৰ ৰিস্কাৰ চিট খন জোকাৰি জোকাৰি কলে।

: শেলী ৰে শেলী বাবুকো দেখো। চিৰাব-টিবাব যো কহুতা হ্যায় দে দো। মে আভী আতা হুঁ। সি ৰিস্কা খন লৈ ওলাই গল।

অৰুণে সম্পূৰ্ণ বটলটো পি শেষ কৰি বিড়ি এটা জ্বলাই তললৈ মুৰ কৰি বহি ৰল।

: বাবু আৰু চিৰাব লাগিব ? তাই গিৰিয়েকৰ নিৰ্দ্দেশ মতে অতিথিক সোধ পোচ কৰিবলৈ আহিলে। লগে লগে অৰুণে তাইৰ মুখলৈ চাই পঠিয়ালে।

: অৰুণ দা— তুমি ?

: শেৱালী তুমি ইয়াত ? অৰুণৰ কথাত অসং-লগ্নতা, চকুত বিস্ময়।

: অৰুণ দা, যোৱা বাৰটা বছৰে মোৰ জীৱনৰ বহু পৰিবৰ্ত্তন হ'ল। শেৱালী উচুপি উঠিল।

: তুমি—তুমি তাৰ মানে এই দেশোৱালীৰ টোৰ সৈতে বিয়া সোমালা ? অৰুণ চকু জলক তবক লাগিল।

: অৰুণ দা তাই কান্দি উঠে। কি কৰিম ? আপুনি মানস দাক হত্যা কৰি জেললৈ গল। মই সম্পূৰ্ণ ২/৩ মাহ চটফট্ কৈয়ে কটাই দিলো। লাহে লাহে গাওঁৰ মানুহে মোৰ অৱস্থা-টোৰ বিষয়ে গম পাই আমাক এঘৰীয়াকৈ থলে। কিন্তু অৰুণ দা দেউতাই মোক ঘৰৰ পৰা উলিয়াই দিলে। তাই জোৰেৰে উচুপি উঠিল। অৰুণ একেথৰে তাইলৈ চাই ৰল।

: লাহে লাহে ঘৰৰ পৰা ওলাই ভাবিলো ক'ত যাওঁ ? অন্ততঃ আহিব খোজা নয়নমনিটোৰ বাবে আত্মহত্যা কৰিবও ভয় লগা হ'ল। কান্দি কান্দি গৈ গৈ অৱশেষত চাৰিআলি পালো। হঠাৎ মোৰ অজ্ঞাতে ভৰি দুখনে মোক বৈ থকা বাছখনৰ ভিতৰলৈ বৈ গল। পিছত আহি এই বছৰ পালো। সম্পূৰ্ণ তিনিটা দিন নাখাই নলৈ দোকানৰ বাৰান্দাত পাৰ কৰি দিলো। অবশেষত এটি ৰিস্কাৱলাই মোৰ সম্পূৰ্ণ দায়িত্ব লব বিচাৰিলে এটি চৰ্ত্তত মই তাৰ লগত বিয়া সোমাব লাগে। মই ৰাজি নহৈ উপায় নাছিল। অন্ততঃ আহিব ধৰা মোৰ নয়ন মনিটোক এবাৰ দেখা পোৱাৰ আশাতে তাৰ চৰ্ত্তত মান্তি হলো। তাৰ পিছত এয়াই মোৰ গতানুগতিক জীৱন। তাই চকুপানী মছি মছি কথা কেইষাৰ কৈ তলমুৰ কৰিলে।

: শেৱালী তুমি ইমান নীচ্ ? অৱশেষত এটা ৰিক্সাৱালাৰ লগত তুমি বিয়া সোমালা ? অৰুণৰ মুখ ঘৃনাত কোঁচ খাই আহিল।

: কিন্তু কিন্তু মোৰ যে উপায় নাছিল। অন্ততঃ নয়মমনিটোৰ·········...

ঃ নয়নমনি ! এজনক ভালপাই আন এজনৰ সন্তান গৰ্ভত লৈ ফুৰিব তোমাৰ লাজ লগা নাছিল ? আৰু সেই বাবেই তুমি আত্ম হত্যাও কৰিব নোৱাৰিলা নহয় নে ? কিয় তুমি যে চোন কৈছিলা মোৰ অবিহনে চিপজৰী লম বুলি। সেয়া তোমা-লোকৰ পুৰুষক বশ কৰাৰ চোকা অস্ত্ৰ নহয়নে ?

ঃ অৰুণ দা কিন্তু মই······ ·····

ঃ তুমি স্বাৰ্থপৰ, প্ৰতাৰক। তাইৰ মুখৰ কথা কাঢ়ি আনি অৰুণে কলে। তুমি যদি ইমান সুন্দৰকৈ মোৰ ওচৰত প্ৰেমৰ অভিনয় নকৰিলা হেতেন তেন্তে হয়তো মোৰ জীৱনটো এনেদৰে ধ্বংস নহলহেঁতেন।

ঃ অৰুণ দা ········ ····

ঃ এয়া নতুন নহয় শেৱালী। নাৰীয়ে এনেদৰে পুৰুষক ঠগি অহাৰ উদাহৰণ বহুত আছে। কিয় কিয় তুমি মোক এনেদৰে প্ৰতাৰনা কৰিলা ? সেয়া জানো প্ৰকৃত ভালপোৱা ?

ঃ অৰুণ দা মোক ক্ষমা কৰা। মই মই ···· তাই অৰুণৰ ভৰি দুখনত ধৰিব খুজিলে।

ঃ খবৰদাৰ মোৰ কাষ নাচাপিবা। সি ঘপহকৈ ঠিয় হৈ কলে, তোমাক মই ঘৃনা কৰো। তুমি মোৰ কোনো নহয়। মোৰ মৰমৰ শেৱালীজনী কাহানীবাই মৰি ভূত হৈ গৈছে।

ঃ অৰুণ দা ····· তাই কান্দি কান্দি কিবা কৰ খুজিলে।

ঃ মোক কেতিয়াও অৰুণ দা বুলি নামাতিবা। মই তোমাৰ কোনো নহয়। মই ইয়ালৈ কেতিয়াওনাহো। সি যাব খোজে।

ঃ অৰুণ দা তাই তাৰ ভৰিত ধৰি কান্দি উঠে।

ঃ আঁতৰি যোৱা। অৰুণে তাইক ঠেলা মাৰি আতৰাই দিয়ে। তোমাক মই স্পৰ্শ কৰাও পাপ। তোমাক মই কেতিয়াও চাব নিবিচাৰো। অৰুণে যাবলৈ খোজ পেলালে।

ঃ কিন্তু অৰুণ দা তাই অৰুণৰ বাট আগছি ধৰি কান্দি কান্দি কিবা কব বিচাৰিলে।

ঃ চোৱা শেৱালী যাক মোৰ মানস প্ৰতিমা কৰিম বুলি মই মোৰ মনৰ মণি কোঠাত যি এটি কাৰেং সাজিছিলো তাত তাই বেদনাৰ এটমবোম দি গুছি গল। ভাঙি টুকুৰা-টুকুৰ হোৱা মনটোক জোৰা দি মই কাহানীও আকৌ এটি নতুন কাৰেং সাজিব নোৱাৰিম।

ঃ অৰুণ দা · · তাই উচুপি উঠে আকৌ।

ঃ আঁতৰ হোৱা। অৰুণে তাইক থেলা মাৰি আতৰাই দিয়ে। তাই চিটিকি গৈ বাৰান্দাৰ খুটাটোত মুৰটো খুণ্ডা খাই অচেতন হৈ বাগৰি পৰিল। অৰুণে সেই ফালে নোচোৱা কৈয়ে ধলং পলং খোজেৰে বাহিৰ ওলাই গ'ল। ▱



# শায়েৰী

(১)

মওত কা ভী ইলাজ হো শায়দ
জিন্দেগী কা কই ইলাজ নহী
[ মৃত্যুৰো চিকিৎসা আছে, জীৱনৰ কোনো চিকিৎসা নাই ]

(২)

অভী তুম কমচীন হো
কাহী খো দি গি দিল মেৰা
তেৰে লিয়েহী ৰাখ্যা গিয়া হ্যায়
যোৱা হোকৰ লেলেনা

[ এতিয়া তুমি সৰুৱে আছা, মোৰ হৃদয় খন কৰবাত হেৰুৱাই পেলাবা, তোমাৰ বাবেই মোৰ অন্তৰ খন সাঁচি থৈছো, ডাঙৰহলে লৈ লবা ]

মণিন্দ্ৰ বসুমতাৰী
উঃ মাঃ ২য় বাৰ্ষিক ( বিজ্ঞান )

---

# ★ আপুনি জানেনে ? ★ ( কুইজ )

শ্ৰীটিকাৰাম শৰ্মা
উঃ মাঃ ১ম বাৰ্ষিক ( কলা )

(১) লিখিত পৰীক্ষা দিয়াৰ নিয়ম প্ৰথমে ক'ত আৰু কেতিয়াৰ পৰা আৰম্ভ হৈছিল ?
(২) কিমান চনত আৰু ক'ত হীৰা বৃষ্টি হৈছিল ?
(৩) অক্সিজেন গেছ কোনে কিমান চনত আবিস্কাৰ কৰে ?
(৪) আটাইতকৈ ক্ষুদ্ৰ অংশৰ লিখক কোন ?
(৫) কোন গছৰ ফলে পোহৰ দিয়ে ?
(৬) যান্ত্ৰিক ঘড়ী কোনে আৰু কেতিয়া আবিস্কাৰ কৰে ?

**উত্তৰ সমূহ ঃ -**

(১) ১৭০২ খৃঃত। ইংলণ্ডৰ কেম্ব্ৰিজ ট্ৰিনিটি কলেজত।
(২) ১৮৮৬ খৃঃত। দক্ষিণ ৰাছিয়াত উল্কাৰ পৰা হীৰাবৃষ্টি হয়।
(৩) ইংলণ্ডৰ হেন্ৰি ক্যাভেণ্ডিচে ১৭৭৪ খৃঃত।
(৪) পশ্চিম বংগৰ বচিৰ হাট মহকুমাৰ ট্যাটৰা গাওঁৰ শংকৰ চট্টপাধ্যায়ে কেই বছৰ মান আগত এটা কণীৰ বাকলিৰ ওপৰত ন-হেজাৰ শব্দ, সুনিপুন ভাবে এটি চাউলৰ ওপৰত দুশ শব্দ, এটি দালিৰ ওপৰত ভাৰতৰ মেপ আৰু আধা অংশ বুটৰ ওপৰত এশ শব্দ লিখিছিল।
৫। ফিলিপাই দ্বীপপুঞ্জৰ বাংগিলুচ ব্যাঙ গছে। এই গছৰ প্ৰতিটো ফালে ১৫ মিনিট কৈ পোহৰ দিয়ে।
(৬) ফ্ৰান্সৰ চিনডেষ্টাৰে, ৯৯৬ চনত।

# आंनि सान्नाय

श्रीकनिस्क हाजोवारी
छेथिबोसोर
हायार सेकेनदारी कर्स, आर्दस्

मानि दाओहा ?
मानि हांगामा ?
मानि दाओराओ दाओसि ???
आंनि जोओआ आगानसुरलांनायनि ।
बोथीरा दैदेनो, स्वाना अंरबारो आरो हाबो
बोथोरनि फारख' नर्जों गोरोबनी नागिरो,
हास्थायछुला लुबैछुला गोसोवा ।
जैरबालाबचे जीओआ सिमां नूयो
राजरबु श्री, मिथिंगा राणीनि ॥
लारिया दाओथुआ माओग्लीखी थोर थोर
अन्नो रोङै समनि हुदायाओ,
बिमाथा गाबी झगु-झगु—
फिछाया गाबो शिओ शिओ;
मानि दाहा बिलाय—
नोंनि ना आंनि ?
नों स्वोरजि गिरिया मानो स्वोर्जियो
मा लुबियो नोङो
बै जीओ जुनात्फोरनि फ्राय (?)
आफा स्वोरजिगिरि बियो आं निमाहा
नोंनि बे गाम्रिहुदानि थारबाथ (??)
नों हाहुछै अबैध जीओ जोनोम;
आं संहायस' हाया
संसार, दुरबु सुरबुरबौ ॥
आंनि जीओआ दिनैनो गीमार्थो
नोंनि हाजाचे अन्नाय बोराओ,
हे ! आफा स्वोर्जिनिरि—
आंनि थिं फचे नेगन बिजिर । । ।

# : बर थुनलाइ आरो फरायछा फोरनि मावनांगोबिबान :

सुश्री प्रबिन माछारी
H. S. 1st year

जायनि बिखापाव सुबुं फोलेर बिमानि राव, धोरोम खान्थि, गान्नाय-जोमनाय दानाय-देनाय, मोछानाय मुछुरनाय, लोंनाय, हारिनि दुखु आरो फैलाव मिथिंगानि रंगिना-सांगिना महर मुश्रीया रोखा रोखा बेरखाङो बेनो थुनलाइ। जाय हारिहा थुनलाइ गैया बे हारिहामु-लुकजों छिनाय जाया। बेनि खायनी बुंदों थुनलाया हारिनि मोनसे गिदिर आइना। मुलुकनि मानषि हारिनि मादाव मंगलिया फोलेरनि हारियाबो मोनसे गिदिर हारि होन्नानै जारिमिनआ फोमयिदों। थुनलाया हारिनि जीउ। बों मिथिगौ बर' हारियाबो गोदो गोदाय निफ्राइनो बर' शव थुनलाइसौ सिबि बोदोंमोन। नाथाइ समनि फाखानाव गोग्लैनानै आरो गुबुन हारिनि फाव फान्दा-यनाबाव बर' हारिया गावनि राव थुनलाइखौ खौमाना लादों मौन बेखौ जारिमिना खोन्थायो। दोनै मुगानि लेंहरनायाव बर' हारिया बिमा शवखौ थुनलाइनि बिखायाव जोनोम होनाय।

बर' थुनलाइ बुङोबला बर' लिरगिरि फोरखौनो फोरमायी बर' लिरगिरि फोरनि मावनाई हाबाया Physical एबा Manual नङा खोलोमजों दानाय एबा सोर्जिनाय हाबाछो। बर शव थुनलाइनि जारिमिनखौ बोदोलानानै नायबला नुनो मोनो दि माखाछे लिरगिरिफोरा बरं हारिनि ओरैबादि हाबा मावदों जाय हाबा फोरखौ माहारी फोछा-वग्रा आरो राजखान्थि गेलेप्रा दैदेनगिरि-फोश मावनो हायाखै। बरं रावजों बिबुं-छार रायथाइ, बिजितथाइ खन्थाइ भावथिना चल चलमा आरो मेल भिथिंआव आजाव-नाइ बिथांखि फोरखौ लिरनानै बर' लिरगिरि फोरा ओरा माबथि हा-जाफोरा बर शव थुनलाइखौ फाछावदों। बर नाहारिनिफ्राइ चलमानि आयदा आखल आरो जाथाइ फोरखौ खनछायनानै बर लिरगिरि फोर होदों बिछोरनो थुनलाइ महर। हारिनि गोबींनि बाथ्रा आरो गुमुरखौ लिरगिरिफोर खेफ्रुनानै होयो आरो गाङ्खिखौ फोछावनानै मोजांखौ मडेल दिन्थिनो थांखिछानानै गुबुन हारि एबा माहारिनियाव थांनो नाङा, गाव गाघनि माहारियाव बर थुनलाइनि इनायनो खराख दङो।

